
এবছৰীয়া হ'ল দুৱাৰ ফাউণ্ডেচন

# দুৱাৰ

বিজ্ঞান । পৰিৱেশ । প্ৰযুক্তি

## বৰ্ষপূৰ্তি আৰু পৰিৱেশ দিৱস বিশেষ সংখ্যা



# দুৱাৰ

বৰ্ষপূৰ্তি
আৰু
পৰিৱেশ দিৱস বিশেষ সংখ্যা

**আমাৰ ঠিকনা :**
www.duwarfoundation.org
ফেচবুক: https://www.facebook.com/duwarfoundation
ই-মেইল:duwarfoundation@gmail.com

**সম্পাদক**
মানস প্ৰতিম দত্ত

**অতিথি সম্পাদক**
চুনা কুমাৰ পাঠৰী

**সহ: সম্পাদক**
ধনশ্ৰী ডেকা

**প্ৰচ্ছদ**
চন্দন বৰি

**ভিতৰৰ ফটো উৎস**
ইণ্টাৰনেট

**অলংকৰণ/অংগসজ্জা**
মানস প্ৰতিম দত্ত

# www.duwarfoundation.org

## CORE TEAM



**Sjt. SANJIB GOHAIN**



**Sjt. MANASH PRATIM DUTTA**



**Smt. DHANASHREE DEKA**

# দুৱাৰ ফাউণ্ডেচনৰ উন্মোচনী অনুষ্ঠানৰ কেইটিমান মুহূৰ্ত

*(সামিধান ডট কম নামেৰে আৰম্ভ হৈছিল দুৱাৰ ফাউণ্ডেচন। বিশেষ কাৰণবশতঃ সামিধান ডট্ কমৰ নাম সলনি কৰি দুৱাৰ ফাউণ্ডেচন কৰা হয়।)*





বিদ্যাঃ দ্য লাৰ্ণিং স্কুলৰ বাকৰিত অনুষ্ঠিত উন্মোচনী অনুষ্ঠানত উন্মোচক ড০ প্ৰাঞ্জল বুঢ়াগোহাঁইৰ সৈতে অন্যান্যসকল







সংবাদ মাধ্যমত উন্মোচনী অনুষ্ঠানৰ বাতৰি

# দুৱাৰ ফাউণ্ডেচনৰ উদ্যোগত আয়োজিত
# বিভিন্ন অনুষ্ঠানৰ আলোকছবি
























**দুৱাৰ ফাউণ্ডেচনৰ দ্বাৰা প্ৰকাশিত বাৰ্ষিক ই-আলোচনী দুৱাৰৰ প্ৰচ্ছদ**




**দুৱাৰৰ প্ৰথম সংখ্যাটো সমিধান নামেৰে প্ৰকাশ পাইছিল**



## সূচীপত্ৰ

**আগকথা**

**কেনেকৈ আৰম্ভ হ'ল দুৱাৰ :**
**সমিধান ডট্ কমৰ পৰা দুৱাৰলৈ এবছৰীয়া যাত্ৰা**
মানস প্ৰতিম দত্ত । সঞ্জীৱ গোহাঁই ।।১

**অতিথি সম্পাদকৰ কলম**
চুনা কুমাৰ পাঠৰী ।।৫

**অভিমত: এবছৰীয়া হ'ল দুৱাৰ ফাউণ্ডেচন ।।৭**

**শ্ৰদ্ধাঞ্জলি**
**সমগ্ৰ অৰণ্যই তোমাক মাতিছে , সমগ্ৰ চৰায়ে আজি**
মানস প্ৰতিম দত্ত ।।১২

**বিষয়: বিশ্ব পৰিৱেশ দিৱস**
**বৰ্হমথুৰি: অসমৰ এবিধ আপুৰুগীয়া উদ্ভিদ...**
সুমিত দাস ।।১৪
Cranes of Assam আৰু...
দেৱৰ্ষি গগৈ ।।১৫
**সেউজীয়া অৰণ্যখন সংৰক্ষণ কৰোঁ আহক**
লীলাকান্ত পায়েং ।।১৬
**আমি সঁচাকৈয়ে পৰিৱেশৰ প্ৰতি দায়বদ্ধনে**
কৌশিকজ্যোতি বৰা ।।২০
**কাগজ-কলমৰ লগতে গছপুলি এটা তুলি লওঁ...**
নিমিষা বৰা ।।২৩
**পৰিস্থিতিতন্ত্ৰৰ পুনৰুদ্ধাৰ**
মানস প্ৰতিম দত্ত ।।২৬
**অৰণ্য মানৱ যাদৱ পায়েং**
উৎপল বৰুৱা।।৩৩
**প্ৰকৃতি মানৱ আফৰোজ শ্বাহ**
সম্প্ৰীতি শৰ্মা।।৩৫
**দুৱাৰ টাইমলাইন।।৩৬**



আ গ ক থা

# কেনেকৈ আৰম্ভ হ'ল দুৱাৰ :

## সমিধান ডট্ কমৰ পৰা দুৱাৰলৈ এবছৰীয়া যাত্ৰা

**মানস প্ৰতিম দত্ত। সঞ্জীৱ গোহাঁই**

লকডাউনৰ মাজত আমাৰ মাজত সপোন এটাই পাহি মেলিছিল। সেই সপোনৰ নাম 'দুৱাৰ'। এখন বিজ্ঞানমনস্ক সমাজৰ দুৱাৰ খোলাৰ। আমাৰ সপোনৰ অনুষ্ঠান 'দুৱাৰ'। আমাৰ এই সপোনক সাকাৰ ৰূপ দিয়াত সহযোগ কৰিলে ধনশ্ৰী ডেকাই। দুৱাৰৰ নাম অৱশ্যে প্ৰথমতে সমিধান ডট্ কম আছিল যদিও পাছলৈ কিছু কাৰিকৰী কাৰণত আমি ইয়াৰ নাম সলনি কৰি নতুন নাম দিলোঁ - দুৱাৰ। উন্মোচনৰ স্থান নিৰ্বাচন কৰা হ'ল Vidya:The Living School,Subahi বিদ্যা:দ্য লিভিং স্কুল ,সুবাহীৰ বাকৰি। উন্মোচন কৰিলে আমাৰ প্ৰিয় মানুহ প্ৰাঞ্জল বুঢ়াগোহাঁই ছাৰে। সহযোগ কৰিলে বিদ্যাৰ কৰ্তৃপক্ষ , বৈদ্য ব্ৰাইট বুঢ়াগোহাঁই দা, গিৰীণ শৰ্মা দা, পুস্প, দিগন্ত দা , অভিজিত আৰু গিৰীণ কছাৰী দা ,ৰাজীৱ দেউৰী দাই। আমাৰ বাবে বন্ধুৰ দৰে হাত আগবঢ়াই কাষত থিয় দিলে লক্ষীন্দ্ৰ সোণোৱাল দা, যুগল সন্দিকৈ দা, লুইত কিৰণ দাস, হেমচন্দ্ৰ কছাৰী, প্ৰণৱ বড়া, নিতুল নন্দন ৰেগনে।লাহে লাহ আপোনালোক সকলোৱে দিহা পৰামৰ্শই আমাক আগুৱাই যাবলৈ সাহস দিলে। তাৰ বাবে আপোনালোক সকলোকে ধন্যবাদ আৰু আন্তৰিক কৃতজ্ঞতা জনোৱাৰ লগতে আগলৈয়ো সহযোগিতা কামনা কৰিলোঁ।

DUWAR (Development and Utilisation of Worthwhile Applied Research) Foundationৰ **প্ৰকল্প সহায় -**

সচৰাচৰ আমি দেখা পাওঁ যে বিজ্ঞান শিক্ষাগ্ৰহণৰ ক্ষেত্ৰত বহু আগ্ৰহী শিক্ষাৰ্থীয়ে আৰ্থিক দুৰৱস্থাৰ বা উপযুক্ত পৰামৰ্শৰ অভাৱৰ বাবে বহুসময়ত অসুবিধাৰ সন্মুখীন হয় । 'প্ৰকল্প সহায়'ৰ জৰিয়তে দুৱাৰ ফাউণ্ডেচনে বিজ্ঞান শিক্ষা আৰু বৈজ্ঞানিক মানসিকতা বিকাশৰ বাবে সমাজৰ প্ৰতিজন ব্যক্তিক তেনে সমস্যা দূৰ কৰিবলৈ সহায়ৰ হাত আগবঢ়োৱাৰ উদ্দেশ্যেৰে এই প্ৰকল্প আৰম্ভ কৰিছোঁ।

**প্ৰকল্পৰ মূল উদ্দেশ্য হ'ল** - বিজ্ঞান

বিষয়ক পাঠ্যপুথি আৰু সমলৰ অভাৱ হোৱা শিক্ষাৰ্থীসকলক সমল আৰু পাঠ্যপুথি যোগান ধৰা, আৰ্থিকভাৱে পিছপৰা শিক্ষাৰ্থীসকলক আৰ্থিক সকাহ দিয়া, আভিযান্ত্রিক আৰু চিকিৎসা বিজ্ঞান অধ্যয়নৰ লগতে অন্যান্য প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰতি আগ্ৰহী শিক্ষাৰ্থীসকলক শিকন সমল যোগান ধৰা, শিকন সঁজুলি (কাগজ, কলম, বেগ, জ্যামিতি বাকচ, ডাইচেকচন বাকচ আদি) যোগান ধৰা আৰু বিজ্ঞান আৰু গণিতৰ পাঠ্যপুথিৰ যিকোনো বোধগত অসুবিধাৰ সন্মুখীন হ'লে পৰামৰ্শ প্ৰদান কৰা। লগতে তেওঁ কয় যে কোনো ব্যক্তিয়ে ইচ্ছা কৰিলে বিজ্ঞান বিষয়ক বিভিন্ন গ্ৰন্থ দুৱাৰৰ জৰিয়তে বিভিন্ন আৰ্থিকভাৱে দুৰ্বল শিক্ষাৰ্থীৰ লগতে পুথিভঁৰাললৈয়ো প্ৰেৰণ কৰিব পাৰে।

**শেৱালি পুথিভঁৰালত দুৱাৰ**



শেৱালি পুথিভঁৰালৰ শান্তনু দিহিঙীয়াৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা অনুষ্ঠানটোৰ পাছতে এখনি পৰিৱেশ সজাগতা সভা অনুষ্ঠিত হৈ যায়। সভাখনিত সমল ব্যক্তি হিচাপে উপস্থিত আছিলোঁ পৰিৱেশ কৰ্মী যুগল সন্দিকৈ আৰু গিৰীণ কছাৰী, যুৱ কৰ্মী নন্দন কিশোৰ বৰঠাকুৰ , আৰু আমি



(মানস আৰু সঞ্জীৱ)। গাঁৱৰ জ্যেষ্ঠ কনিষ্ঠজনৰ উপস্থিতিত আয়োজিত অনুষ্ঠানটি শেৱালি পুথিভঁৰালৰ শান্তনু দিহিঙীয়াৰ শলাগৰ শৰায়েৰে সফল সামৰণি পৰে।

দুৱাৰ এখন সকলোৰে থাকে। অন্তত: এখন দুৱাৰ। সুন্দৰৰ পথ দেখুওৱা, পোহৰোৱা মুকলি দুৱাৰ। আন্ধাৰ বন্ধ কৰা দুৱাৰ। এই দুৱাৰৰ নাম দুৱাৰ ফাউণ্ডেচন। দুৱাৰ ফাউণ্ডেচনৰ জৰিয়তেই লগ পাইছিলোঁ আই আই টি গুৱাহাটীৰ গণিত বিভাগৰ অধ্যাপক জিতেন চন্দ্ৰ কলিতা ছাৰক। ছাৰ এজন ভাল শিক্ষক হোৱাৰ উপৰিও এজন ভাল আবৃত্তিকাৰ, লেখক। ছাৰে শিক্ষাৰ্থী আৰু অভিভাৱকৰ সুবিধা হোৱা কেইবাটাও লেখা লিখিছে। তাৰে এটা আমাৰ দুৱাৰৰ পাততো আছে। *লেখাটো আমাৰ ৱেবচাইট www.duwarfoundation.org ত গৈ পঢ়িব পাৰিব।* সৌ সিদিনা ৫ নৱেম্বৰ তাৰিখে জিতেন ছাৰ আহিছিল আমাৰ ধেমাজিলৈ। উদ্দেশ্য গণিত বিষয়ক বিভিন্ন কথাৰে অন্তৰংগ আলাপ আৰু কণ কণ শিক্ষাৰ্থীসকলক শিকন সমল বিতৰণ। ছাৰৰ সৈতে আহিছিল দীপশিখা চৌধুৰী বাইদেউ আৰু দুদিনতে আপোন হৈ পৰা ধ্ৰুৱ দা।

৬নৱেম্বৰ তাৰিখে আমি চিচিবৰগাঁৱৰ মেচু-কছাৰী প্ৰাথমিক বিদ্যালয়, ৰেলৱে জংচন মধ্য ইংৰাজী বিদ্যালয় আৰু জীয়াঢলৰ ২ নং ঘেয়াৰী প্ৰাথমিক বিদ্যালয়ত শিকন সমল বিতৰণ কৰিলোঁ। ২ নং ঘেয়াৰী প্ৰাথমিক বিদ্যালয়ত সমল বিতৰণৰ সময়ত আমাক সহায় কৰিলে ডম্বৰু দিহিঙীয়া দা, হেমচন্দ্ৰ কছাৰী দা আৰু বন্ধু নিতুল নন্দন ৰেগনে। তাৰ পাছতে আবেলি আমি ৰাওনা হ'লোঁ বিদ্যা: দ্য লিভিং স্কুললৈ। এই বিদ্যালয়ৰ বাকৰিতে উন্মোচিত হৈছিল দুৱাৰ। আমালৈ বাট চাই ৰৈ আছিল শ্ৰদ্ধাৰ প্ৰাঞ্জল বুঢ়াগোহাঁই ছাৰ আৰু বিদ্যাৰ শিক্ষক-কৰ্মচাৰীসকল। আমি গৈ পোৱাৰ লগে লগে শিক্ষক-শিক্ষাৰ্থীসকলে আমাক আদৰি নিলেহি । সম্পূৰ্ণ মুকলি পৰিৱেশ দূবৰি বনৰ ওপৰত বহি জিতেন ছাৰৰ সৈতে কথা পাতিলে বিদ্যাৰ পৰিয়ালে। শিক্ষাৰ্থীসকলৰ আগ্ৰহে আমাক আপ্লুত কৰিলে। তেখেতে শিক্ষক, শিক্ষাৰ্থী আৰু অভিভাৱকৰ সৈতে মত-বিনিময় কৰি গণিত শিক্ষণ শিকনৰ সময়ছোৱাত সন্মুখীন হোৱা বিভিন্ন সমস্যা, গণিত-ভীতি দূৰীকৰণৰ বিভিন্ন উপায়ৰ লগতে কেৰিয়াৰ বিষয়ে আলোচনা কৰে। শিক্ষাৰ্থীসকলৰ উৎসুকতাৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ সৰলকৈ দাঙি ধৰে। সন্ধিয়া প্ৰায় ৬ বজাত আমি বিদ্যাৰ পৰা পুনৰ ধেমাজিৰ আৱৰ্ত ভৱনলৈ ঘূৰি আহিলোঁ। ৭ নৱেম্বৰৰ পুৱা ৯ বজাত আমি ৰাওনা হ'লোঁ বিবেকানন্দ কেন্দ্ৰীয় বিদ্যালয়, ধেমাজিলৈ। তাত ছাৰৰ লগত বিদ্যালয় শিক্ষকসকলৰ অন্তৰংগ আলাপ অনুষ্ঠিত হৈ যায়। আমিও শিক্ষাৰ্থী উপযোগী দুখন মান কিতাপৰ কথা আলোচনা কৰিলোঁ। তাৰ পাছতে আমি ৰাওনা হ'লোঁ যোগেশ গোহাঞি উচ্চ মাধ্যমিক বিদ্যালয়লৈ। বিদ্যালয়ৰ সহ:শিক্ষক, মৰমৰ, শ্ৰদ্ধাৰ গিৰীণ শৰ্মা দাই অনুষ্ঠানটোৰ আগভাগ ল'লে। অনুষ্ঠানত উপস্থিত থাকি জিতেন ছাৰে গণিতৰ ক্ষেত্ৰখনলৈ শিক্ষাৰ্থীসকল অভিৰোচিত হ'ব পৰাকৈ বিভিন্ন অনুপ্ৰেৰণামূলক কাহিনীৰে অনুষ্ঠানটো আকৰ্ষণীয় কৰি তোলে। সৰল মনৰ ছাৰৰ বৰ্ণাধ্য অভিজ্ঞতাৰ কথাই আমাক সমৃদ্ধ কৰিলে। আমি সততে শুনা পাওঁ যে অসমীয়া মাধ্যমৰ শিক্ষাৰ্থীসকল ইংৰাজীত কিছু দুৰ্বল হয়। কিন্তু ছাৰে অসমীয়া মাধ্যমত পঢ়িয়েই আমেৰিকাৰ বিশ্ববিদ্যালয়ৰ অতিথি অধ্যাপক হিচাপে শিক্ষাদান কৰাৰ কথা জানি, আই আই টি অধ্যাপনা কৰাৰ কথা জানি শিক্ষাৰ্থীসকলো অভিৰোচিত হয়।



সময়বোৰ কেনেকৈ পাৰ হৈ গ'ল গমকে নাপালোঁ। আমি কিমান ভালদৰে তেওঁলোকক শুশ্ৰূষা কৰিব পাৰিলোঁ নাজানো। কিন্তু ছাৰ-বাইদেউহঁতে আমাক

বহুখিনি ধুনীয়া সময় দি গ'ল। তেওঁলোকলৈ আমাৰ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

**কোভিডকালীন দ্বিতীয় বসন্ত আৰু দুৱাৰ**

বসন্তৰ আনন্দ আৰু বিহুৰ ব্যস্ততাৰ মাজতে বিজ্ঞান জনপ্ৰিয়কৰণ আৰু পৰিৱেশ সংৰক্ষণকাৰী গোষ্ঠী দুৱাৰ ফাউণ্ডেচনৰ উদ্যোগত সুবাহীস্থিত বিদ্যা: দ্য লিভিং স্কুলত ১৭ এপ্ৰিল তাৰিখে কম্পিউটাৰ বিতৰণ কাৰ্যসূচী সম্পন্ন হয়। আই আই টি গুৱাহাটীৰ অধ্যাপক ড° জিতেন চন্দ্ৰ কলিতাই প্ৰদান কৰা কম্পিউটাৰটো গ্ৰহণ কৰি বিদ্যা:দ্য লিভিং স্কুল ,সুবাহীৰ পৰিচালন সঞ্চালক প্ৰাঞ্জল বুঢ়াগোহাঁই-এ কৃতজ্ঞতা জ্ঞাপন কৰে। ইয়াৰ পাছতে জিতেন কলিতাৰ সৈতে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে মত বিনিময় কৰে। মত-বিনিময় কাৰ্যসূচীত কম্পিউটাৰৰ প্ৰগ্ৰেমিং লেংগুৱেজ আৰু ইয়াৰ গুৰুত্ব, শৈক্ষিক ক্ষেত্ৰত ইয়াৰ গুৰুত্ব আদি সম্পৰ্কে আলোচনা কৰা হয়। প্ৰগামিং সম্পৰ্কে দুৱাৰ ফাউণ্ডেচনৰ আমাৰ হৈ সঞ্জীৱ গোহাঁই-এ সামগ্ৰিকভাৱে কিছু কথা আলোকপাত কৰে। অনুষ্ঠানটোৰ আঁত ধৰিলোঁ মানস প্ৰতিম দত্তই । অনুষ্ঠানটোত দুৱাৰ ফাউণ্ডেচনৰ সদস্য নয়ন দীপ দত্তও উপস্থিত আছিল।

**অলপ ক'বলগীয়া**

আমাৰ লক্ষ্য কেৱল ৱেবচাইটটো চলাই নিয়াই নহয়। আমাৰ লক্ষ্যই হ'ল পৰিৱেশ সংৰক্ষণক কথাৰ পৰা কামলৈ ৰূপান্তৰিত কৰা, বিজ্ঞানক জনপ্ৰিয় কৰাৰ লগতে বিজ্ঞান লেখক সৃষ্টিত অৰিহণা আগবঢ়োৱা।

**পুনশ্চ:**

আপোনালোকৰ সহায় অবিহনে দুৱাৰ কেতিয়াও আগবাঢ়িব নোৱাৰে। যোৱা এটা বছৰে আমাৰ প্ৰতিটো কাৰ্যতে, প্ৰয়োজনীয় প্ৰতিটো মুহূৰ্ত্তে আমাক সমৰ্থন কৰা, সহায় কৰা প্ৰতিজন শুভাকাংক্ষী, লেখক আৰু পৰামৰ্শদাতাক আমি অশেষ ধন্যবাদ জনাইছোঁ। আপোনালোকৰ সহায়-সহযোগিতাৰ বাবেই আজি আমি এটা বছৰৰ যাত্ৰা সম্পূৰ্ণ কৰিব পাৰিলোঁ। আগলৈয়ো আপোনাসবৰ দিহা-পৰামৰ্শ কামনা কৰিলোঁ।





# বিশ্ব পৰিৱেশ দিৱস আৰু ইয়াৰ প্ৰাসংগিকতা...

চুনা কুমাৰ পাঠৰী

আমাৰ ভৱিষ্যত পৃথিৱীখনৰ পৰিৱেশলৈ নামি অহা ভাবুকিৰ প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰসংঘৰ পৃষ্ঠপোষকতাত ১৯৭২ চনৰ ৫ জুনৰ পৰা ১৬ জুনলৈ ছুইডেনৰ ৰাজধানী ষ্টকহমত অনুষ্ঠিত হোৱা “মানৱ পৰিৱেশ সন্মিলন”ত (Human Environment) পোন প্ৰথমবাৰৰ বাবে “বিশ্ব পৰিৱেশ দিৱস” পালনৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল।আৰু সেই প্ৰস্তাৱ অনুসৰিয়েই ১৯৭৩ চনৰেপৰা প্ৰতি বছৰে ৫ জুনৰ দিনটো সমগ্ৰ পৃথিৱীতে “বিশ্ব পৰিৱেশ দিৱস” হিচাপে উদযাপন কৰা হয়।ইয়াৰ মূল লক্ষ্য হৈছে আমাৰ চাৰিওফালৰ পৰিৱেশ প্ৰদূষণমুক্ত কৰাৰ লগতে পৰিৱেশ সংৰক্ষণৰ সজাগতা সৃষ্টি কৰা।সেয়ে এই উদ্দেশ্য আগত ৰাখিয়েই ৫ জুন তাৰিখে বিশ্বৰ বিভিন্ন দেশৰ জনসাধাৰণে গছ পুলি ৰোপণ কৰাৰ উপৰি কিছুমান পৰিৱেশ সজাগতামূলক অনুষ্ঠানৰ আয়োজন কৰে। ঠিক একেদৰে আমাৰ দেশেও পৰিৱেশৰ ভাৰসাম্যতা বজাই ৰখাৰ লক্ষ্যৰে ৫ জুন তাৰিখটোত গছপুলি ৰোপণ কৰাৰ উপৰিও পৰিৱেশৰ ওপৰত বিভিন্ন কাৰ্য্যসূচী লোৱা দেখা যায়।বৰ্তমান আমাৰ চাৰিওফালৰ পৰিৱেশলৈ লক্ষ্য কৰিলে এনে পদক্ষেপ সঁচাই প্ৰয়োজনীয়। কিয়নো দিনক দিনে গোলকীয় উষ্ণতা দ্ৰুতগতিত বৃদ্ধি পাবলৈ ধৰিছে।তাৰ ফলস্বৰূপে অজন স্তৰৰ অৱক্ষয়ৰ ছিদ্ৰৰ মাজেৰে পাৰ হোৱা সূৰ্যৰ অতি বেঙুনীয়া ৰশ্মিৰ প্ৰভাৱত কৰ্কট ৰোগৰ দৰে নতুন নতুন মহামাৰী ৰোগৰ সৃষ্টি হৈছে।অন্যহাতে ক্ৰমান্বয়ে মেৰু অঞ্চলৰ বৰফো গলিবলৈ আৰম্ভ কৰিছে।গতিকে এনে প্ৰদূষণৰ সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ দেশ তথা অসম চৰকাৰে গ্ৰহণ কৰা কিছু প্ৰচেষ্টাও নুই কৰিব নোৱাৰি।শিক্ষাৰ নামভৰ্তিৰ ক্ষেত্ৰত গছপুলি ৰোপণেই হওক বা অৰণ্য সংৰক্ষণ কৰা আদি ক্ষেত্ৰত অন্যতম বুলি ক'ব পাৰি।

কিন্তু মনত প্ৰশ্নৰ উদয় হয় যে পদক্ষেপবোৰ সম্পূৰ্ণৰূপে ৰূপায়ন অথবা ফলপ্ৰসূ হৈছেনে?কিয়নো আমাৰ দৈনন্দিন জীৱনত বৰ্ধিত হাৰত পৰিৱেশ প্ৰদূষণ হৈছে তাৰ তুলনাত সজাগতা তেনেই কম বুলি ক'ব পাৰি। বিশেষকৈ আমাৰ স্কুল,মহাবিদ্যালয়বোৰত নামভৰ্তিৰ সময়ত ছাত্ৰ-ছাত্ৰীৰ এজোপা গছ পুলিৰ সৈতে এখন ফটোতে সামৰা দেখা যায়।তাৰ সলনি প্ৰথমে ৰোৱা গছপুলিটো যদিহে প্ৰতিবাৰে নামভৰ্তিৰ সময়ত শিক্ষকে নিৰীক্ষণ কৰি পুলিটোৰ চোৱাচিতাৰ ব্যৱস্থা কৰে তেন্তে কিছু হ'লেও সুফল পোৱাত সহায়ক হ'ব পাৰে!কেৱল গছ পুলি ৰোপণ কৰাই ডাঙৰ কথা নহয়,যদিহে লালন-পালন নকৰে।নহ'লে গছপুলি ৰোপণ কৰাৰ জানো কিবা মূল্য থাকিব?তাৰ উপৰিও আমাৰ শিক্ষা ব্যৱস্থাত এতিয়াও পৰিৱেশ বিষয়টোক চাৰিবেৰৰ মাজত আৱদ্ধ কৰি ৰখা যেন লাগে। আজিও আমাৰ বহু শ্ৰেণীৰ পাঠ্যক্ৰমত পৰিৱেশ অধ্যয়ন বিষয়টো বাধ্যতামূলক কৰা দেখা নাই।মানুহৰ পৰিৱৰ্তন অথবা সজাগতাৰ মূল চাবি-কাঠি হৈছে শিক্ষা ব্যৱস্থা।শিক্ষাৰ জৰিয়তেই মানুহৰ মনলৈ পৰিৱৰ্তন আৰু সজাগতাৰ সৃষ্টি কৰিব পাৰি কিন্তু এনে শিক্ষা ব্যৱস্থাৰে কিমান দূৰ সজাগতাৰ সৃষ্টি কৰিব পাৰি এয়া লক্ষণীয়!কল্পনাই কৰিব নোৱাৰি,পৰিৱেশ প্ৰদূষণৰ ফলত বছৰি পৃথিৱীত অসংখ্য লোকৰ মৃত্যু হয়।এতিয়া লাহে লাহে অত্যধিক হাৰৰ প্ৰদূষণৰ ফলত আৰু অভাৱনীয়ভাৱে পৰিৱেশ বিনষ্ট হ'বলৈ ধৰিছে।তাৰ পৰিণতিস্বৰূপে জীৱকুল বৰ্তি থকাটো টান হৈ পৰিছে। আনহাতে চিন্তনীয় বিষয় যে বিজ্ঞানীসকলৰ এটা সমীক্ষাৰ মতে ২০৫০ চনৰ ভিতৰত পৃথিৱীত খোৱা পানীৰো নাটনি হ'ব।গতিকে পৰিৱেশ প্ৰদূষণৰ এনে গভীৰ সংকটৰ পৰা ৰক্ষা পাবলৈ গছ ৰোৱাটো খুবেই প্ৰয়োজনীয়। কিন্তু সাধাৰণতে গছপুলি ৰুবলৈ নিৰ্দিষ্ট ৫ জুন তাৰিখটোকে মনত পেলোৱা দেখা যায়।আনকি কেতিয়াবা এই দিনটোত পৰিৱেশৰ প্ৰতি যিমাখিনি তৎপৰতা অৱলম্বন কৰিব লাগে তাকো দেখা নাযায়।সেয়ে মানুহ আধুনিকতাৰ ধামখুমীয়াত পৰি ব্যস্ততাৰ বাবে ক্ৰমাৎ এই দিনটোৰ প্ৰাসংগিকতা কমি অহা যেন অনুভৱ হয়।

আচলতে গছ পুলি ৰুবলৈ মানুহক কোনো নিৰ্দিষ্ট দিন বাৰ নালাগে।আমাৰ চাৰিওফালৰ সুস্থ-নিৰ্মল পৰিৱেশ গঢ়ি তোলাটো আমাৰ প্ৰতিজন ব্যক্তিৰে দায়িত্ব।আহক,এই পৃথিৱীত আমি সুন্দৰভাৱে জীয়াই থকাৰ স্বাৰ্থত সকলোৰে একেলগ হৈ গছপুলি ৰোপণ কৰোঁ...।

**Bapan Banik**
*Assistant Professor cum*
*Principal Investigator*
*Email: bapan4india@gmail.com*
*M- 9401307871*

*Department of Herbal Science and Technology*
*Anandaram Dhekial Phookan College*
*(ADP College), Estb. 1959*
*NAAC Reaccredited With "A" Grade*
*Nagaon, Assam-782002*

Ref. Date. 31/05/2021

**Dear Manas & All, C/O- Duwar Foundation,**

**Congratulations!** This is a significant year for you as you celebrate First **Anniversary of Duwar Foundation**. Clearly, reaching this milestone is a very special occasion for you all.

I really want to actually express my very appreciation as well as all my gratitude for all the very hard work that you people had just been doing each as well as every single time for creating so very awareness in our society that will actually take us towards the very betterment of our very State.

A sparkling future lies before you, welcoming you into new and fantastic things.

May it fulfill all your dreams and may you grow and flourish in it!

My Best Wishes.

Thanking you,

**Bapan Banik, Asst. Professor**
**Dept. of Herbal Sc. & Tech.**
**ADP College**
**Nagaon, Asssam**
**M- 9401307871, 7002809159**

## অভিমত: এবছৰীয়া হ'ল দুৱাৰ ফাউণ্ডেচন



দুৱাৰ ফাউণ্ডেচনৰ প্ৰথমটো বৰ্ষপূৰ্তিত ইয়াৰ লগত জড়িত সকলোকে শুভেচ্ছা জনাইছোঁ। ভাতৃপ্ৰতিম মানস আৰু সঞ্জীৱৰ এই ব্যতিক্ৰমী প্ৰচেষ্টাৰ শলাগ লৈছোঁ। অনাগত দিনবোৰত দুৱাৰ ফাউণ্ডেচনে আমাৰ সমাজ সংস্কাৰ তথা পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত নতুন মাত্ৰা প্ৰদান কৰিব বুলি মই আশাবাদী।

**ডা০ হৃষীকেশ কলিতা, মনোৰোগ বিশেষজ্ঞ**

প্ৰতিষ্ঠা হোৱা এটা বছৰৰ ভিতৰতে দুৱাৰ ফাউণ্ডেচনে, বিজ্ঞান আৰু বিজ্ঞানমনস্কতাৰ ওপৰত যিধৰণেৰে প্ৰচাৰ আৰু প্ৰসাৰতাত ব্ৰতী হৈছে সেয়া নিশ্চিতভাৱে প্ৰশংসনীয়। অনাগত দিনবোৰত দুৱাৰে এই বিজ্ঞানমনস্কতাক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত গভীৰভাৱে ৰোপণ কৰিব পাৰিব বুলি বিশ্বাস কৰিছোঁ। গতিকে অনাগত দিনবোৰত পৰিৱেশ শিক্ষাৰ মাজেৰে বিজ্ঞানমনস্কতাক শিপাই তুলিবলৈ হলে, সংশ্লিষ্ট বিদ্যালয়সমূহৰ লগত সহযোগিতা কৰি, পৰিকল্পিতভাবে কৰা ছাত্ৰ-ছাত্ৰীসকলক লৈ বিভিন্ন ক্ষেত্ৰ অধ্যয়ন নাইবা ব্যৱহাৰিক শিক্ষা যোগেদি আগবাঢ়িলে অধিক ফলপ্ৰসূ হব। দুৱাৰ ফাউণ্ডেচনৰ এই যাত্ৰা সফল হোৱাৰ লগতে দীৰ্ঘায়ু কামনা কৰিলোঁ ।



**প্ৰণৱ বড়া**
গৱেষক, ভেষজ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগ
আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়



এচাম ক্ষমতালোভী লোকৰ অদূৰদৰ্শিতা আৰু ক্ষুদ্ৰ লাভৰ বাবে প্ৰকৃতিৰ বিভিন্ন উপাদানৰ ক্ষতি তথা ধ্বংসৰ যি সৰ্বনাশী প্ৰক্ৰিয়া এটা গঢ়ি উঠিছে তাৰ সমান্তৰালকৈ প্ৰকৃতিৰ ওপৰত আমি মৰম আৰু যত্নৰ হাত দুখনৰ এক মজবুত আচ্ছাদন দিব নোৱাৰিলে প্ৰকৃতিৰ ভাৰসাম্য বিনষ্ট হোৱাক ভৱিষ্যতে কোনো মহৎ প্ৰচেষ্টাই বাধা দিব নোৱাৰিব । দুৱাৰ ফাউণ্ডেশ্যনে প্ৰকৃতি ৰক্ষাৰ এই প্ৰচেষ্টাক এক তৰান্বিত গতি দি সমাজৰ সকলো স্তৰৰ লোকক প্ৰকৃতিৰ সৈতে একাত্ম কৰাৰ যি সামূহিক প্ৰয়াস কৰিছে তাৰ এক সুদূৰপ্ৰসাৰী প্ৰভাৱ নিশ্চয় থাকিব, সেয়া লৈ আমি আশাবাদী ।

**ড° বিজিত তালুকদাৰ, গুৱাহাটী**



গ্ৰন্থজগতত পৰিৱেশ সাহিত্যৰ সংখ্যা সীমিত যেন অনুভৱ হয়।বিশেষকৈ অসমত। দুৱাৰ ফাউণ্ডেশ্যনৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে তেওঁলোকে 'পৰিৱেশ দিৱসৰ বিশেষ সংখ্যা'ৰে যিখন ই-আলোচনী প্ৰকাশৰ দিহা কৰিছে,এই খবৰ অত্যন্ত সুখজনক আৰু আদৰণীয়।এনে প্ৰচেষ্টাই বিদ্যায়তনিক দিশতো যিকোনো প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে আমাৰ ছাত্ৰ সমাজক সহায় কৰিব।পৰিৱেশ সুৰক্ষাৰ বাবে দুৱাৰ ফাউণ্ডেচন মাইলৰ খুঁটি হওক। শুভ-ইচ্ছাৰে...

**সঞ্জীৱ বসুমতাৰী**
**শিক্ষক-আলোকশিল্পী**
**শিমলুগুৰি,লখিমপুৰ**



বৰ্তমান সময়ত পৰিৱেশ আৰু ইয়াৰ সংৰক্ষণ বিশ্ববাসীৰ সন্মুখত এক ডাঙৰ প্ৰত্যাহ্বান স্বৰূপে দেখা দিছে।এই সম্পৰ্কে জনগণ সজাগ আৰু সচেতন হ'লেহে সুদূৰ ভৱিষ্যতে পৰিৱেশ ৰক্ষা পৰিব।গতিকে এনে ক্ষেত্ৰত জন সচেতনতা আনিবৰ বাবে দুৱাৰ ফাউণ্ডেশ্যনে প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে 'পৰিৱেশ দিৱসৰ বিশেষ সংখ্যা'ৰে যিখন ই-আলোচনী প্ৰকাশৰ প্ৰচেষ্টা লৈছে সেয়া সঁচাই প্ৰশংসনীয় আৰু আদৰণীয়। আলোচনীখনৰ বিষয়ববীয়া আৰু লেখক গোষ্ঠীক মোৰ ফালৰ পৰা আন্তৰিক শুভকামনা যাচিলোঁ। তেওঁলোকৰ এই পৰিৱেশ সম্পকীয় প্ৰচেষ্টা সফল হওঁক তাৰ কামনাৰে...।

**ৰশ্মি ৰেখা শইকীয়া, কলিয়াবৰ শিক্ষা মহাবিদ্যালয়**

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অভূতপূৰ্ব অগ্ৰগতিয়ে মানৱ সভ্যতাক তথাকথিত প্ৰগতিৰ উচ্চ শিখৰত যিমানে আৰোহণ কৰালেও এটা কথা পাহৰি যোৱা উচিত নহয় যে আমি "মানুহ" প্ৰকৃতিসৃষ্ট



উপাদানসমূহৰ এটা ক্ষুদ্ৰ অংশহে। প্ৰকৃতিক প্ৰত্যাহ্বান জনোৱাৰ পৰিণাম কিমান ভয়াৱহ হ'ব পাৰে সেয়া সময়ে সময়ে প্ৰকৃতিয়ে নিজেই বিভিন্ন অস্বাভাৱিক পৰিঘটনাৰ জৰিয়তে সকীয়াই আহিছে মানুহক। আমাৰ পৃথিৱীখন অকল মানুহৰে নহয়--এই কথা জীৱশ্ৰেষ্ঠ(?) মানুহ হিচাপে সকলোৱে হৃদয়ঙ্গম কৰিব পৰাতেই প্ৰকৃতিৰ মঙ্গল আৰু প্ৰকৃতিৰ মঙ্গল মানেই মানুহৰ লগতে সমস্ত জীৱকূলৰ মঙ্গল। মূলতঃ প্ৰাকৃতিক পৰিৱেশ সংৰক্ষণ-সংবৰ্ধন আৰু বিজ্ঞানমনস্ক চিন্তাৰে পৰিৱেশ সম্পৰ্কীয় জনসচেতনতা সৃষ্টি কৰাকে মন্ত্ৰ হিচাপে লৈ কেইগৰাকীমান কৰ্মোদ্যমী ব্যক্তিৰ তৎপৰতাত গঢ়ি উঠিছে "দুৱাৰ ফাউণ্ডেশ্যন"।ইতিমধ্যে ভিন্ন ব্যতিক্ৰমী কাৰ্যসূচী ৰূপায়ণ কৰি জনসজাগতা সৃষ্টিৰে "দুৱাৰ"-এ সমাজলৈ ইতিবাচক বাৰ্তা দি আহিছে আৰু এনে প্ৰয়াস অব্যাহত ৰাখিছে।এনে প্ৰচেষ্টাৰ অংশস্বৰূপে তেওঁলোকে এখন অনলাইন বাৰ্তালোচনীও প্ৰকাশ কৰি আহিছে--যিটো সঁচাকৈয়ে প্ৰশংসনীয়। পৰিৱেশ সংৰক্ষণৰ জৰিয়তে মানৱকল্যাণৰ প্ৰতি উৎসৰ্গিত "দুৱাৰ ফাউণ্ডেশ্যন"ৰ যাত্ৰা সুদূৰপ্ৰসাৰী হওক।এই শুভাশাৰে...

**দেৱৰাজ মিলি,কবি**

**সহকাৰী অধ্যাপক,ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়,হোজাই**



পৰিৱেশ দিৱস উপলক্ষে "দুৱাৰ ফাউণ্ডেশ্যন"-এ পৰিৱেশ প্ৰদূষণ আৰু সংৰক্ষণৰ যি "দুৱাৰ" মুকলি কৰিছে ই কেৱল প্ৰশংসনীয়েই নহয়,বৰ্তমানৰ সৰ্বাধিক প্ৰয়োজনীয় প্ৰসংগ।মহানগৰীয়া সভ্যতাই বিপদাপন্ন কৰা জৈৱ-বৈচিত্ৰ্য আৰু দূষিত জলবায়ুৰ প্ৰতিৰক্ষা স্বৰূপে

পৰিৱেশ তন্ত্ৰ আৰু অৰ্থনীতিৰ সম্বন্ধ বুজোৱাত এই আলোচনীখনে জনসমাজক উচিত মাৰ্গদৰ্শন কৰিব।এই দুৱাৰ মুকলিত আমি এজাউৰি মঙ্গলময় উৰুলি দিলোঁ...।

**ৰিজুৰেখা বৰি,গৱেষক ছাত্ৰী,ডিব্ৰুগড় বিশ্ববিদ্যালয়**



সম্প্ৰতি কৰ'ণা মহামাৰীৰ প্ৰভাৱত বিশ্ব মানৱ সম্প্ৰদায়ে অক্সিজেনৰ সংকটত ভুগিছে।এই ভয়াৱহ সংকটৰ মূলতে মানৱ জাতি দায়ী।মানুহৰ আকাশলঙ্ঘী আকাংক্ষাৰ সন্মুখত প্ৰকৃতি দিনক দিনে ৰুগীয়া হৈ পৰিছে।প্ৰকৃতিৰ ওপৰত মানুহৰ অত্যাচাৰৰ ফল মানৱ জাতিয়ে দিনক দিনে ভুগিবলৈ আৰম্ভ কৰিছে।বিশ্ব মানৱ সম্প্ৰদায়ে যদি এতিয়াৰ পৰা এই ক্ষেত্ৰত সজাগ-সচেতন হৈ পৰিৱেশ ৰক্ষাৰ হকে কাম আৰম্ভ কৰে

তেন্তে নিশ্চিতভাৱে অনাগত প্ৰজন্মৰ হাতত আমি নিৰ্মল আৰু স্বাস্থ্যসন্মত এখন সুৰক্ষিত পৃথিৱী থৈ যাব পাৰিম।জনসজাগতাৰ বাবে প্ৰয়োজনীয় দিহা আৰু কৰ্মৰ ক্ষেত্ৰত দুৱাৰ ফাউণ্ডেশ্যনৰ দ্বাৰা প্ৰকাশিত "দুৱাৰ" আলোচনীখনে গুৰুত্ব আৰোপ কৰিব। দুৱাৰলৈ আমাৰ অহেতুক শুভেচ্ছা আৰু পুৰামাত্ৰাই সহযোগিতা...।

**সমীৰ ভূষণ বৰা**
**সমাজকৰ্মী**



দুৱাৰ ফাউণ্ডেশ্যনৰ প্ৰথম বৰ্ষপুতি উপলক্ষে "পৰিৱেশ দিৱসৰ বিশেষ সংখ্যা"ৰে যিখন ই-আলোচনী প্ৰকাশৰ আয়োজন কৰিছে ই অসমীয়া সাহিত্যত এক নতুন মাত্ৰা প্ৰদান কৰাৰ লগতে পাঠক তথা লেখককো উপকৃত কৰি পৰিৱেশ সুৰক্ষাত বিশেষ ভূমিকা গ্ৰহণ কৰিব।ইয়াৰ সকলো কৰ্মকৰ্তালৈ শুভেচ্ছা আৰু ধন্যবাদেৰে...

**- প্ৰিয়াক্ষী শৰ্মা**
**ঘোষিকা,ৰেডিঅ'জ্ঞানমালিনী**
**ডিব্ৰুগড় বিশ্ববিদ্যালয়**



প্ৰদূষণ হৈছে মানুহৰ বেমাৰ আৰু মৃত্যুৰ বিভিন্ন কাৰণৰ ভিতৰত অন্যতম এক কাৰণ আৰু ইয়াৰ বাবে আমি মানুহবোৰেই কম বেছি পৰিমাণে জগৰীয়া।গতিকে এই সম্পৰ্কে মানুহক সজাগ কৰাটো অতিকে আৱশ্যকীয়।এনে ক্ষেত্ৰত দুৱাৰ ফাউণ্ডেশ্যনে পৰিৱেশ দিৱসৰ উপলক্ষে ই-আলোচনীৰ মাধ্যমেৰে পৰিৱেশ প্ৰদূষণমুক্ত আৰু সংৰক্ষণৰ যি পদক্ষেপ হাতত লৈছে এয়া সঁচাই খুব সুন্দৰ আৰু অতুলনীয়।এনে এক পবিত্ৰ উদ্দেশ্যৰ বাবে আটাইলৈ মোৰ অশেষ অভিনন্দন আৰু শুভকামনা জনালোঁ...।

**মনাশ্ৰী পাঠক, সহকাৰী অধ্যাপিকা,**
**কলিয়াবৰ শিক্ষা মহাবিদ্যালয়**



সাম্প্ৰতিক কালত শিক্ষা- দীক্ষা,প্ৰশাসন,ৰাজনীতি আদি সকলো দিশতে পৰিৱেশ সম্বন্ধীয় কথা বতৰা আহি পৰিছেহি।বৰ্তমান মূলত: আধুনিকীকৰণে পৰিৱেশ স্খলনত অৰিহণা যোগোৱা সময়ত দুৱাৰ ফাউণ্ডেশ্যনে প্ৰথম বৰ্ষপূতি উপলক্ষে পৰিৱেশ সংৰক্ষণ সম্বন্ধীয় ই-আলোচনী এখন প্ৰকাশ কৰিবলৈ লোৱাটো প্ৰশংসনীয়।আলোচনীখনৰ সাফল্য কামনা কৰিলোঁ।দুৱাৰ ফাউণ্ডেশ্যন দীৰ্ঘজীৱী হওক।তাৰে কামনাৰে...।

**ৰিমঝিম বৰষা মহন্ত, শ্ৰৱণী সত্ৰ,কলিয়াবৰ**



দুৱাৰ ফাউণ্ডেশ্যনৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে ই-আলোচনী "পৰিৱেশ দিৱসৰ বিশেষ সংখ্যা" প্ৰকাশ কৰিব খোজাটো এক ব্যতিক্ৰমী পদক্ষেপ।কিয়নো এই আলোচনীখনে পৰিৱেশ সম্পৰ্কে নিঃসন্দেহে জনসচেতনা আনিব,বহুজনৰ বাবে পথ প্ৰদৰ্শক হ'ব,ন ন তথ্যৰ সম্ভেদ দিব।আশাকৰোঁ আলোচনীখনে বিদ্যায়তনিক দিশতো জোৰাৰ তুলিব।এনে আদৰণীয় পদক্ষেপক শলাগ নলৈ নোৱাৰি।শেষত আলোচনীখনৰ কৰ্মকৰ্তা আৰু লেখকসকলক আন্তৰিক শুভেচ্ছা যাচিলোঁ।দুৱাৰ ফাউণ্ডেশ্যনৰ যাত্ৰা সফল হওক।আগুৱাই যাওক,দীৰ্ঘজীৱী হওক।অলেখ শুভকামনা...।

**উত্তম লইং, সহকাৰী শিক্ষক**
**দেৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়**

পৰিৱেশ প্ৰদূষণমুক্ত কৰি ৰখাৰ চিন্তা আমি প্ৰত্যেকেই মনৰ পৰা কৰিব লাগিব।আমি জুমি চাব লাগিব আমাৰ পৃথিৱীক।ক'ভিডৰ এই সময়ে আমাক অন্তত: সেই কথা শিকাই থৈ গ'ল।পৃথিৱীখনক মৰম কৰিবলৈ আমি শিকিবৰ হ'ল।তাৰ বাবে বাস্তৱসন্মত পদক্ষেপ গ্ৰহণ কৰাটো জৰুৰী আৰু নাগৰিকৰ কৰ্তব্য হোৱা উচিত।দ্বিতীয়তে,সংৰক্ষণৰ দিশটোত নাগৰিকৰ উপৰি সামগ্ৰিকভাৱে সমাজ ব্যৱস্থাৰো ভূমিকা উল্লেখনীয়। এজন এজন ব্যক্তি লগ হৈয়ে এখন সমাজ।গতিকে,আমি নিজৰ পৰাই সংৰক্ষণৰ দিহা কৰিব লাগিব।যথাসম্ভৱ প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা হোৱাকৈ পৰিৱেশ সন্তুলিত কৰি ৰখাৰ উপৰি প্ৰকৃতিক উৎপাদনশীল কৰি ৰখাত আমি হাত উজান দিব লাগিব।বৰ্তমান সময়ত পৰিৱেশলৈ নামি অহা ভাবুকিৰ প্ৰতি লক্ষ্য ৰাখি জনসচেতনতাৰ উদ্দেশ্যে দুৱাৰৰ যি পদক্ষেপ এয়া সঁচাই প্ৰশংসনীয়।দুৱাৰৰ পৰিয়াললৈ অলেখ শুভকামনা থাকিল..।



**অনুপ দত্ত, কবি**
**নলবাৰী**



দুৱাৰ ফাউণ্ডেশ্যনৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে "পৰিৱেশ দিৱস বিশেষ সংখ্যা" আলোচনীখন দেখিয়েই মনটো আশাৰে ভৰি পৰিছে। আলোচনীখনৰ শব্দবোৰতেই আমাৰ চৌপাশৰ সেউজীয়াৰ কথা প্ৰকাশ পাই উঠিছে।আমি সকলোৱে একেলগে হৈ পৃথিৱীৰ সেউজীয়াবোৰ জীয়াই তুলিব পাৰিম।কিন্তু মই সেউজীয়া ভাল পালেই নহ'ব,তাক সঠিক পথত ব্যৱহাৰ কৰিব জানিব লাগিব।দুৱাৰৰ এনে প্ৰচেষ্টা প্ৰশংসনীয়।দুৱাৰৰ পৰিয়াললৈ অলেখ শুভকামনা থাকিল...।

**মুনমুনী পায়েং, কঁকিলামুখ,যোৰহাট**



সেউজীয়া প্ৰকৃতি আমাৰ প্ৰাণ।সেই অৰণ্যৰ পৰাই এৰি দিয়া বিশুদ্ধ অম্লজান খাই গছ-লতা,তৰু-তৃণে আহৰণ কৰে জীৱনৰ আহাৰ- শ্বেতসাৰ।সেয়েহে মানৱ সমাজৰ কল্যাণৰ বাবে বন সংৰক্ষণ কৰাৰ বাবে অন্য কোনো বিকল্প নাই।আহক আমি এখন সেউজীয়া ধৰণী সুন্দৰকৈ গঢ় দিওঁ।দুৱাৰ ফাউণ্ডেশ্যনৰ প্ৰথম বৰ্ষপূৰ্তি আৰু বিশ্ব পৰিৱেশ দিৱস উপলক্ষে অহা ৫ জুন তাৰিখে প্ৰকাশ পাব লগা "দুৱাৰ বৰ্ষপূৰ্তি আৰু পৰিৱেশ দিৱস" বিশেষ সংখ্যাটিলৈ আন্তৰিক শুভকামনা জনালোঁ। আপোনালোকৰ এই সুন্দৰ প্ৰচেষ্টা সফল হোৱাৰ কামনাৰে....

**প্ৰিয়ংকা নাথ**
**সহকাৰী অধ্যাপিকা, কলিয়াবৰ শিক্ষা মহাবিদ্যালয়**



সম্প্ৰতি দেশজুৰি সংহাৰী ৰূপ ধাৰণ কৰা ক'ভিড-১৯ ৰ দ্বিতীয় ঢৌৱে জনজীৱন স্থবিৰ কৰা ৰখা সময়তে আৰু সমান্তৰালকৈ আধুনিকতাৰ ধামখুমীয়াত ধ্বংস হৈ আহিছে নিস্পাপ প্ৰকৃতি।ঘন অৰণ্য তথা জংঘলবোৰৰ ঠাইত গঢ়ি উঠিছে কংক্ৰিটৰ দালান এনে সন্ধিক্ষণত প্ৰকৃতিৰ গভীৰ আৰ্তনাদ শুনি সাহিত্য আলোচনীৰ মাজেৰে কেইজনমান সাহিত্যনুৰাগীয়ে যি প্ৰতিবাদী আৱেগেৰে মূৰ দাঙি উঠিছে,ই অত্যন্ত আদৰণীয়।এনে বৌদ্ধিক যাত্ৰাই অনাগত দিনত অসমীয়া সাহিত্যজগতক অনন্য মাত্ৰা প্ৰদান কৰিব। আমি আশাবাদী...।

**বিজু বৰি,প্ৰবন্ধকাৰ, দেৰগাঁও**

দুৱাৰ ফাউণ্ডেশ্যনৰ প্ৰথম বৰ্ষপূৰ্তি আৰু বিশ্ব পৰিৱেশ দিৱস উপলক্ষে মানস প্ৰতিম দত্তৰ দ্বাৰা সম্পাদিত বিজ্ঞান, প্ৰযুক্তি আৰু পৰিৱেশ সম্পৰ্কীয় আলোচনীখন সমাজৰ বাবে নিঃসন্দেহে এক শুভ বাৰ্তা।বিশ্বব্ৰহ্মাণ্ডৰ একোণত থকা পৃথিৱী নামৰ এই গোলকটো জীৱশ্ৰেষ্ঠ এচাম মানুহৰ বাবেই দুঃসময়ৰ



পিনে গতি কৰিছে। প্ৰগতি আৰু বিকাশৰ নামত বন ধ্বংসযজ্ঞ,বৃহৎ নদীবান্ধ নিৰ্মাণ আদিয়ে প্ৰকৃতিক নিঃশেষ কৰাৰ দিশত ধাৱমান হৈছে।এনে সন্ধিক্ষণত আমাক সুন্দৰলাল বহুগুণা,যাদৱ পায়েং আদি পৰিৱেশ কৰ্মীৰ লগতে গ্ৰেটা থুনবাৰ্গৰ দৰে চিন্তাশীল নৱপ্ৰজন্মৰ নেত্ৰীৰ প্ৰয়োজন হৈছে।শেষত দুৱাৰ ফাউণ্ডেশ্যনৰ মানস প্ৰতিম দত্ত আৰু এই সংখ্যাৰ অতিথি সম্পাদক চুনা কুমাৰ পাঠক এনে ইতিবাচক চিন্তাৰ বাবে ওলগ জনালোঁ।এই দুৱাৰ ফাউণ্ডেশ্যন প্ৰকৃতি প্ৰেমীৰ সিংহদ্বাৰ হওক...।

**তৰুণ লইং, লেখক**
**সহকাৰী অধ্যাপক, অসমীয়া বিভাগ,যোৰহাট কলেজ**

শ্র দ্ধা ঞ্জ লি

# সমগ্ৰ অৰণ্যই তোমাক মাতিছে , সমগ্ৰ চৰায়ে আজি কান্দিছে,

## তুমি এবাৰ উঠা সুন্দৰলাল

মানস প্ৰতিম দত্ত



১৯২৭ চনৰ ৯ জানুৱাৰী তাৰিখে উত্তৰাখণ্ডৰ মৰোডাত জন্মলাভ কৰা পৰিৱেশ কৰ্মী সুন্দৰলাল বহুগুণাই ২১ মে' ২০২১ তাৰিখে শেষ নিশ্বাস ত্যাগ কৰে । তেখেতৰ কৰ্মৰাজিক শ্ৰদ্ধাৰে সোঁৱৰিছো আৰু শোক প্ৰকাশ কৰিছো। চিপকো আন্দোলন আৰু তেহৰী বান্ধ বিৰোধী আন্দোলনৰ জৰিয়তে পৰিৱেশ সুৰক্ষা আন্দোলনক এক নতুন

গতি দিয়া পৰিৱেশ কৰ্মী জনৰ মৃত্যু সমগ্ৰ বিশ্বৰ বাবে অপূৰণীয় ক্ষতি।

বিমলা বহুগুণাৰ সৈতে সুন্দৰলাল বহুগুণাই এটা চৰ্তত বিবাহপাশত আৱদ্ধ হৈছিল। সেই চৰ্ত আছিল যে তেওঁ গাঁৱতে বাস কৰিব আৰু তাত এখন আশ্ৰম খুলিব। মহাত্মা গান্ধীৰ আদৰ্শেৰে অনুপ্ৰাণিত সুন্দৰলাল বহুগুণাই খোজ কাঢ়ি, পদযাত্ৰা কৰি ভাল পাইছিল।

গছবোৰ কটাত বাধা দিলে। ফলত ঠিকাদাৰ উভতি যাবলৈ বাধ্য হ'ল। চিপকো আন্দোলনৰ দৰেই অন্য এক আন্দোলন হৈছিল ১৮শতিকাত, ৰাজস্থানৰ প্ৰসন্ন খামকাৰ গাঁৱত। ৰজাই এটা দুৰ্গ সাজিবলৈ কাঠৰ প্ৰয়োজন হোৱাত বিষ্ণৈ সম্প্ৰদায় বাস কৰা গাঁওখনৰ কাষৰ অৰণ্যৰ পৰা গছ কাটিবলৈ নিৰ্দেশ দিছিল। কিন্তু গাঁৱৰ মানুহে অমৃতা দেৱীৰ নেতৃত্বত গছবোৰ বচাবলৈ গছবোৰ সাৱটি ধৰি আছিল।

**বিমলা বহুগুণাৰ সৈতে সুন্দৰলাল বহুগুণাই এটা চৰ্তত বিবাহপাশত আৱদ্ধ হৈছিল। সেই চৰ্ত আছিল যে তেওঁ গাঁৱতে বাস কৰিব আৰু তাত এখন আশ্ৰম খুলিব। মহাত্মা গান্ধীৰ আদৰ্শেৰে অনুপ্ৰাণিত সুন্দৰলাল বহুগুণাই খোজ কাঢ়ি, পদযাত্ৰা কৰি ভাল পাইছিল।**

১৯৮৬ চনত জমনলাল বাজাজ বঁটা, ১৯৮৭ চনত ৰাইট লাইভলিহোড বঁটা, ১৯৮৯ চনত আই আই টি ৰোৰকিৰ সন্মানীয় ডক্টৰেট ডিগ্ৰী আৰু ২০০৯ চনত পদ্মবিভূষণ সন্মানেৰে সন্মানিত হৈছিল পৰিৱেশকৰ্মী জন। ১৯৮১ চনত পদ্মশ্ৰী সন্মান প্ৰদান কৰিছিল যদিও তেওঁ সেই সন্মান প্ৰত্যাখান কৰিছিল।

প্ৰকৃতি প্ৰেমৰ কথা ক'লেই আমাৰ মনলৈ প্ৰথমে আহে চিপকো আন্দোলনৰ কথা। চিপকো শব্দৰ অৰ্থ হ'ল সাৱটি ধৰা। সত্তৰ দশকত আৰম্ভ হোৱা এই আন্দোলন কেৱল এক আন্দোলন নহয়, ই ভাৰতবৰ্ষৰ প্ৰতিজন মানুহক শিকাই যোৱা প্ৰকৃতি প্ৰেমৰ আদিপাঠ। সেই সময়ৰ অবিভক্ত উত্তৰ প্ৰদেশৰ তথা বৰ্তমানৰ উত্তৰাঞ্চলৰ এখন ৰেণী গাঁৱৰ গাঁওবাসীয়ে ওচৰৰ অৰণ্যৰ পৰা খৰি, ফলমূল আদি দৈনন্দিন জীৱনত ব্যৱহাৰ কৰিছিল। এবাৰ এজন ঠিকাদাৰে সেই অৰণ্যৰ পৰা গছ কাটিবলৈ আহোতে গাঁৱৰ মহিলা মণ্ডলে গৌৰা দেৱীৰ নেতৃত্বত গছবোৰ সাৱটি ধৰি থাকিল আৰু

ফলত গছ কাটিবলৈ অহা সৈন্য সামন্তই সেই ঠাইৰ পৰা উভতি যাবলগীয়া হৈছিল। এই কাৰ্যত ৰজাৰ খং উঠিল আৰু যেনেকৈ নহ'লেও গছ কাটি কাঠ আনিবলৈ নিৰ্দেশ দিয়ে। উপায়হীন সৈন্য বাহিনীয়ে গাঁওবাসীক আক্ৰমণ কৰে আৰু প্ৰায় ৩৬৩ গৰাকী বিষ্ণৈ সম্প্ৰদায়ৰ আবাসীয়ে খেজৰী গছ ৰক্ষা কৰি প্ৰাণ দিবলগীয়া হৈছিল।

১৯৭৩ চনত সুন্দৰলাল বহুগুণাৰ নেতৃত্বত চিপকো আন্দোলনে নতুন ৰূপ লাভ কৰে। হিমালয়ত অবাধ বনধ্বংসৰ প্ৰতিবাদত সুন্দৰলাল বহুগুনাই পদযাত্ৰা আৰম্ভ কৰে। এই যাত্ৰাই সমগ্ৰ দেশতে পৰিৱেশ সুৰক্ষাৰ এক নৱজাগৰণ আনে। সেই যাত্ৰাত লোক কবি ঘনশ্যাম মইলানিৰ বিখ্যাত 'বননিক ৰক্ষা কৰা, নতুনকৈ গছ ৰোৱা, নতুন বননি সৃষ্টি কৰা' গীতটো গোৱা হৈছিল।

ইয়াৰ উপৰিও তেখেতে তেহৰী বান্ধৰ বিপক্ষে এক প্ৰবল গণ আন্দোলন গঢ়ি তুলিছিল। তেওঁ স্বাধীনতাৰ পৰৱৰ্তী পৰ্যায়ৰ সত্যাগ্ৰহী সকলৰ এজন অন্যতম নেতা।



## বৰ্হমথুৰি ঃ অসমৰ এবিধ আপুৰুগীয়া উদ্ভিদ প্ৰজাতি

**সুমিত দাস**

ব্ৰহ্মপুত্ৰ পাৰৰে বৰ্হমথুৰি এজুপি
আমিনো খৰি লুৰা ঠাই
ব্ৰহ্মপুত্ৰ দেৱতা উটুৱাই নিনিবা
তামোল দি মাতোতা নাই ।

বিহুনামবোৰত উল্লেখ থকা গছবোৰৰ ভিতৰত বৰ্হমথুৰি এবিধ অন্যতম আপুৰুগীয়া উদ্ভিদ। এসময়ত এই উদ্ভিদ প্ৰজাতি অসম মুলুকত সুলভ আছিল যদিও সম্প্ৰতি ঠাইচেৰেকতহে কম পৰিমানে বিস্তাৰিত হৈ আছে।

বৰ্হমথুৰি বিচিত্ৰ উদ্ভিদ জগতৰ Magnoliaceae গোত্ৰৰ অন্তৰ্ভুক্ত ।এই গোত্ৰৰ উদ্ভিদ প্ৰজাতিবোৰক প্ৰাচীন উদ্ভিদ বুলি গণ্য কৰা হয়। জীৱাশ্মভিত্তিক সাক্ষ্যৰ ভিত্তিত ইহঁতৰ পৰাগৰেণু ,আভ্যন্তৰীণ গঠন আৰু পুষ্পৰ গঠন আদি চৰিত্ৰবোৰ প্ৰাচীন উদ্ভিদ শ্ৰেণীৰ সৈতে সাদৃশ্য থকাৰ কথা গৱেষকসকলে সদৰী কৰিছে। Magnoliaceae গোত্ৰটো সপুষ্পক উদ্ভিদ জগতৰ এটা ডাঙৰ গোট। গোলকীয়ভাৱে এই গোত্ৰৰ উদ্ভিদপ্ৰজাতিবোৰ পূব আমেৰিকাৰ ক্ৰান্তীয় অঞ্চলৰ পৰা নাতিশীতোষ্ণ অঞ্চল, পূব এছিয়া ,দক্ষিণ আমেৰিকাত বিস্তাৰিত হৈ আছে।

ভাৰতবৰ্ষ হৈছে প্ৰাকৃতিক সম্পদেৰে চহকী অঞ্চল। ইয়াত অনেক থলুৱা (Endemic) আৰু বিপদাপন্ন (Threatened) জীৱপ্ৰজাতি পোৱা যায়। উত্তৰ পূব ভাৰতৰ অসম, অৰুনাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু মেঘালয়ত Magnoliaceae গোত্ৰৰ অন্তৰ্ভুক্ত উদ্ভিদ প্ৰজাতিবোৰ বিস্তাৰিত হৈ আছে। এই


**উদ্ভিদৰ প্ৰতি থকা অনীহা আৰু অবাধ বনধ্বংসৰ ফলত বৰ্হমথুৰিয়ে বিলুপ্তিৰ দিশে খোজ দিছে। উপযুক্ত সু-সংৰক্ষণৰ বাবে আজিৰ সমাজ আগবাঢ়ি নাহিলে এটা সময়ত বৰ্হমথুৰি কেৱল পাঠ্যক্ৰম কিম্বা গানৰ কলিত সীমাবদ্ধ হৈ থাকিব।**


গোত্ৰৰ উদ্ভিদবোৰ গুল্মজাতীয় আৰু বৃক্ষজাতীয়। এই গোত্ৰত লতাজাতীয় কিম্বা তৃণজাতীয় উদ্ভিদ প্ৰজাতি পোৱা নাযায় ।

Magnoliaceae গোত্ৰৰ অন্তৰ্ভুক্ত বৰ্হমথুৰি এবিধ মজলীয়া আকাৰৰ বৃক্ষ। এইআপুৰুগীয়া উদ্ভিদবিধক ইংৰাজীত Hodgson Magnolia আৰু উদ্ভিদ বিজ্ঞানৰ পৰিভাষাত *Magnolia hodgsonii* নামেৰে জনা যায়। মজলীয়া আকাৰৰ বৃক্ষবিধ ১৫ মিটাৰ পৰ্য্যন্ত ওখ হোৱা দেখা যায়। চিৰহৰিৎ বনভূমিবোৰৰ বৰ্হমথুৰি এবিধ গুৰুত্বপূৰ্ণ উদ্ভিদ। বৰ্হমথুৰিৰ ফুলবোৰ সুগন্ধি। বৰ্হমথুৰি গছে এপ্ৰিল-মে' মাহত পুষ্পধাৰণ কৰে। জুন-অক্টোবৰ মাহত ই বীজ ধাৰণ কৰি বীজ বিস্তাৰণ ক্ষমতা লাভ কৰে। অসমীয়া সমাজ-সংস্কৃতিত বৰ্হমথুৰিৰ বিশেষ আদৰ আছিল। প্ৰসাধনৰ পয়োভৰ নঘটা তাহানিতেই জীয়ৰী-বোৱাৰীহঁতে ওঁঠত বৰ্হমথুৰিৰ ৰঙা বোল সানি লৈছিল। উদ্ভিদৰ প্ৰতি থকা অনীহা আৰু অবাধ বনধ্বংসৰ ফলত বৰ্হমথুৰিয়ে বিলুপ্তিৰ দিশে খোজ দিছে। উপযুক্ত সু-সংৰক্ষণৰ বাবে আজিৰ সমাজ আগবাঢ়ি নাহিলে এটা সময়ত বৰ্হমথুৰি কেৱল পাঠ্যক্ৰম কিম্বা গানৰ কলিত সীমাবদ্ধ হৈ থাকিব।

## Cranes of Assam আৰু Pheasants and Partridges of NE India

দেৱৰ্ষি গগৈ





# সেউজীয়া অৰণ্যখন সংৰক্ষণ কৰোঁ আহক

**লীলাকান্ত পায়েং**

আমাৰ জীৱন প্ৰণালীৰ উৎস ক'ত আছে বুলি ক'লে সেউজীয়া অৰণ্যখনৰ কথাই মনলৈ আহে।সেউজীয়া অৰণ্যখনে আমাক দিয়া নাই কি!সেউজীয়া অৰণ্যখনে আমাক জীয়াই থাকিবলৈ প্ৰয়োজনীয় সকলোবোৰ সামগ্ৰী দি আহিছে।সেউজীয়া অৰণ্যখনে কাক কি দিয়া নাই।কিন্তু তাৰ প্ৰতিদানত সেউজীয়া অৰণ্যখনক আমি কি দিছোঁ।আমি একো দিবলৈ নোৱাৰিলেও অন্তত সেউজীয়া অৰণ্যখন ৰক্ষণাবেক্ষণ দিয়াটো আমাৰ প্ৰত্যকজনৰ একো একোটা কৰ্তব্য হ'ব লাগে।বিজ্ঞান আৰু আধুনিক প্ৰযুক্তিবিদ্যাত আমি ইমানেই নিমজ্জিত যে আমি সেউজীয়া অৰণ্যখনৰ কথা ভাবিবলৈ সময় নাই।কিন্তু যেতিয়া আমাৰ প্ৰাথমিক উৎপাদক সেউজীয়া অৰণ্যখনে নাথাকে তেন্তে আমি জীয়াই থাকিম কেনেকৈ?এবাৰ কল্পনা কৰি চাওক সেউজীয়া অৰণ্যবিহীন পৃথিৱীখনৰ কথা।তথাপিও আমাৰ যে একোৱেই কৰিবলগীয়া নাই।আমি জানি শুনিও সেউজীয়া অৰণ্যখন মাথোঁ ধ্বংসৰ পথলৈ নি আছোঁ।এতিয়া খাদ্য আৰু আশ্ৰয়ৰ সন্ধানত হাবি-বননিৰ পৰা বন্য প্ৰাণী নগৰ চহৰৰ ৰাস্তাত আগমন ঘটাটো সাধাৰণ কথা হৈ পৰিছে।পৰিৱেশ ভাৰসাম্যতাৰ বাবে ভৈয়ামত মুঠ মাটিকালিৰ শতকৰা ৩৩ ভাগ আৰু পাহাৰ অঞ্চলত শতকৰা ৬০ ভাগ বনাঞ্চল থাকিব লাগে।কিন্তু নাই।যিমান পাৰোঁ ইমানেই ধ্বংসৰ পথলৈ আগুৱাই লৈ গৈছোঁ।হয়তো বেছি দিন নাই।সেউজীয়া অৰণ্যখন ধ্বংস হোৱাৰ লগে লগে আমাৰ মানৱ জাতিৰ বাবে পৃথিৱীত এয়া হব আমাৰ শেষ দিন।ভাৰতবৰ্ষৰ সেউজীয়া অৰণ্যবোৰ বিশ্বৰ ভিতৰত লেখত ল'বলগীয়া।ভাৰতবৰ্ষৰ লগতে বিশ্বৰ আন দেশ যেনে- ৰাছিয়া,ব্ৰাজিল, কানাডা, আমেৰিকা, চীন, কঙ্গো, অষ্ট্ৰেলিয়া, ইণ্ডোনেচিয়া, চুদান আটাইবোৰ দেশ মিলি বিশ্বৰ মুঠ সেউজীয়া অৰণ্যৰ ৬৭ শতাংশ।নব্বৈ দশকৰ পৰা ২০১০ বৰ্ষলৈ আমাৰ দেশৰ সেউজীয়া অৰণ্য বাৰ্ষিক গড় বৃদ্ধি প্ৰায় ০.২২% ৰপৰা ০.৪৬% আছিল কিন্তু তাৰ পাছত ক্ৰমান্বয়ে এই হাৰ কমি অহা দেখা যায়।ইয়াৰ মূল কাৰণ হৈছে

অৰণ্যবোৰ ধ্বংস কৰি বেদখল কৰা, খেতিপথাৰৰ বাবে আৰু বিভিন্ন ডাঙৰ ডাঙৰ উদ্যোগ নিৰ্মাণ কৰা ইত্যাদি।খাদ্য আৰু কৃষি সংস্থাৰ তথ্যমতে আমাৰ দেশৰ মুঠ অৰণ্যৰ মাটিকালিৰ পৰিমাণ আছিল ৬৮ মিলিয়ন বৰ্গ কিলোমিটাৰ।২০১৩ বৰ্ষৰ ভাৰতবৰ্ষৰ বন বিভাগৰ এক সমীক্ষাত পোৱা যায় যে এই পৰিমাণ আছিল ৬৯.৮ মিলিয়ন বৰ্গ কিলোমিটাৰ।এই দুই বছৰৰ ভিতৰত প্ৰায় ৫,৮৭১ বৰ্গ কিলোমিটাৰ বৃদ্ধি পোৱা দেখা গ'ল।বিশেষকৈ উত্তৰ, মধ্য আৰু দক্ষিণৰ ৰাজ্যসমূহৰ অৰণ্যৰ মাটিকালি পৰিমাণ বৃদ্ধি পালে কিন্তু আটাইতকৈ দুখৰ কথাটো হ'ল যে আমাৰ উত্তৰ-পূৰ্বাঞ্চল ৰাজ্যৰ অৰণ্যৰ মাটিকালি পৰিমাণ পূৰ্বৰ তুলনাত হ্ৰাস পালে।আমাৰ দেশৰ চহৰ-নগৰবোৰ বহুখিনি উন্নত হ'ল যদিও এতিয়াও গাঁও আৰু দুখীয়া শ্ৰেণীৰ মানুহখিনিৰ বাবে একমাত্ৰ সম্বল হৈছে সেউজীয়া অৰণ্যখন।আমাৰ দেশৰ বিভিন্ন ৰাজ্যবোৰৰ ভিতৰত আটাইতকৈ অৰণ্যৰ মাটিকালিৰ পৰিমাণ বেছি থকা ৰাজ্যসমুহ-মধ্য প্ৰদেশ(৭.৭৫ মিলিয়ন হেক্টৰ), অৰুণাচল প্ৰদেশ(৬.৭৩ মিলিয়ন হেক্টৰ), চত্ৰিছগড়(৫.৬ মিলিয়ন হেক্টৰ), মহাৰাষ্ট্ৰ(৫.০৫ মিলিয়ন হেক্টৰ),আৰু ওড়িয়া(৫.০৩ মিলিয়ন হেক্টৰ)। উত্তৰ-পূৰ্বাঞ্চলৰ অৰুণাচল প্ৰদেশেই একমাত্ৰ লেখত ল'বলগীয়া ৰাজ্য কিন্তু হ'লেও ২০০৭ বৰ্ষত এই পৰিমাণ ৬.৮ মিলিয়ন হেক্টৰ আছিল।কিন্তু যোৱা আঠ বছৰৰ ভিতৰত ইয়াৰ পৰিমাণ ক্ৰমে হ্ৰাস পাই ৬.৭৩ মিলিয়ন হেক্টৰ হয়।সেউজীয়া অৰণ্যখনে দেশৰ অৰ্থনীতিত বহুখিনি অৰিহণা যোগাই আহিছে।সকলোতকৈ ডাঙৰ কথা হৈছে যে সেউজীয়া অৰণ্যখন বিভিন্ন প্ৰজাতিৰ উদ্ভিদ, চৰাই-চিৰিকতি, জীজ-জন্তু,পোক-পতঙ্গৰ বাসস্থান।চমুকৈ ক'বলৈ হ'লে এক সুষম পৰিৱেশ গঢ়ি তোলা বৃহৎ সংখ্যক ভিন্ন প্ৰজাতিৰ প্ৰাণী আৰু উদ্ভিদৰ অৱস্থিতি হৈছে সেউজীয়া অৰণ্যৰ জৈৱ-বৈচিত্ৰ।এই আটাইবোৰ উপাদান এটা আনটোৰ পৰিপূৰক।যেতিয়াই এই উপাদানৰ ভাৰসাম্যতা হেৰুৱাই পেলাই তেন্তে সেউজীয়া অৰণ্যখন বিপদত থকা বুলি গম পোৱা যায়।বিশ্বৰ ১২ টা সৰ্ববৃহৎ জৈৱ-বৈচিত্ৰৰ ভিতৰত ভাৰতবৰ্ষও অন্যতম।বিশ্বৰ মুঠ বিভিন্ন প্ৰজাতিৰ উদ্ভিদৰ ১২ % ভাৰতবৰ্ষৰ অৰণ্যত পোৱা যায়।ভাৰতীয় সেউজীয়া অৰণ্যত ৪৭,০০০ প্ৰজাতিৰ ফুল ফুলা আৰু ফুল নুফুলা উদ্ভিদ, ৫৯,০০০ বিধ প্ৰজাতিৰ কীট-পতংগ, ২৫০০ বিধ প্ৰজাতিৰ মাছ, ১৭,০০০ বিধ প্ৰজাতিৰ এঞ্জিওস্পাৰম পোৱা যায়। ইয়াৰ উপৰিও ৯০,০০০ বিধ প্ৰজাতিৰ জন্তু পোৱা যায় যিটো বিশ্বৰ ৭ শতাংশ।প্ৰায় ৪,০০০ বিধ প্ৰজাতিৰ স্তন্যপায়ী জন্তু পোৱা যায়।কিন্তু বৰ্তমানৰ বৃদ্ধি পোৱা জনসংখ্যা আৰু অতি দ্ৰুত গতিত বৃদ্ধি পোৱা ঔদ্যোগীকৰণে সেউজীয়া অৰণ্যখনলৈ কঢ়িয়াই আনিছে ভাবুকি।অৰণ্যত বসবাস কৰা মানুহে অৰণ্য কাটি কৃষি কৰ্মত প্ৰয়োগ কৰিছে,পশু পালন কৰাৰ ফলত অৰণ্যখন ধ্বংসৰ পথ মুকলি কৰি দিছে।ইয়াৰ ফলত তাত থকা বিভিন্ন প্ৰজাতিৰ জীৱ-জন্তুৰ বাবে অনুপযোগী হৈ পৰাৰ ফলত নগৰ-চহৰলৈ ওলাই আহিছে।এই কথা বিশেষকৈ আমাৰ অসমৰ মানুহৰ বাবে

নতুন কথা নহয়।আমাৰ নগৰ-চহৰৰ বাট-পথত হাতী, গড়, বাঘ, হৰিণ ইত্যাদি ওলাই অহা দেখা যায়। ইয়াৰ মূল কাৰণ অৰণ্যৰ অত্যধিক মাত্ৰাত প্ৰদূষণ বাঢ়ি অহা আৰু খাদ্য সংকট।তথাপিও এই আশ্ৰয় বিচাৰি বাহিৰলৈ ওলাই আহিলে আমি জীৱ-জন্তুকে দোষ দিওঁ।আচলতে আমাৰ কু-কৰ্মই সেউজীয়া অৰণ্যৰ জীৱ-জন্তুক হাৰাশাস্তি কৰিছে।গোটেই বিশ্বত ১০.০০০ বিধ প্ৰজাতিৰ চৰাই আছে।ইয়াৰে ১২.৫ শতাংশ ভাৰতবৰ্ষৰ অৰণ্যত পোৱা যায়।কিন্তু বৰ্তমান অৰণ্যৰ যি অৱস্থা তাৰ মূলতে বিভিন্ন প্ৰজাতিৰ চৰাই লুপ্তৰ পথত আগবাঢ়িছে।ভাৰতবৰ্ষই ১৯৯১ চনলৈ বিভিন্ন প্ৰজাতিৰ চৰাই আন দেশলৈ ৰপ্তানি কৰা দেশৰ ভিতৰত অন্যতম আছিল।কিন্তু ১৯৯১ চনৰ পাছত এক আইন প্ৰণয়ন কৰা হৈছিল যে থলুৱা প্ৰজাতিৰ চৰাই ধৰি আন্তঃৰাষ্ট্ৰীয় বজাৰত বিক্ৰী কৰিব নোৱাৰিব।ইয়াৰ মূলতে আছিল বিভিন্ন প্ৰজাতিৰ চৰাই-চিৰকটিৰ সংখ্যা দিনক দিনে কমি অহা বাবেই এইবোৰক সুৰক্ষা প্ৰদান কৰিবৰ বাবে এই আইন প্ৰণয়ন কৰা হৈছিল।ভাৰত চৰকাৰে এই আইন প্ৰণয়ন কৰিলে হয় কিন্তু লুকাই-চোৰাংকৈ ধৰি বিভিন্ন দেশলৈ চালান দিয়াটো বন্ধ কৰিব নোৱাৰিলে।চোৰাংকৈ বিভিন্ন দেশলৈ ৰপ্তানি হয় যে তাৰ স্পষ্ট প্ৰমাণ পোৱা গৈছিল ২০০১ চনত যেতিয়া মুম্বাই বিমানবন্দৰত ১০,০০০ তকৈ অধিক চৰাই ধৰা পৰিছিল।এনেদৰে নজনাকৈ কিমান চৰাই চোৰাংকৈ বাহিৰৰ দেশলৈ চালান হৈ আছে তাৰ সঠিক হিচাপ কাৰো হাতত নাই।এতিয়াও ৩০০ বিধ ভিন্ন প্ৰজাতিৰ চৰাই চোৰাং ব্যৱসায় হৈ আছে।ভাৰত চৰকাৰে বিভিন্ন আইন প্ৰণয়ন কৰিলেও কিন্তু বাধা দিব পৰা নাই।চৰকাৰে বিভিন্ন আইন প্ৰণয়ন কৰিলেও লাভ নোহোৱা কথা কিয়নো যদিহে আমাৰ জনসাধাৰণে অৰণ্যখন নিজৰ কৰি নলয় বা অৰণ্যখনৰ সংৰক্ষণৰ প্ৰতি সজাগ-সচেতনতা নাহে।কিয়নো অৰণ্যখনৰ চোৰাং ব্যৱসায় হয় তাত বসবাস কৰা স্থানীয় মানুহখিনিৰ বাবে।চৰকাৰৰ বিভিন্ন আঁচনিসমূহ এনে অঞ্চললৈ যাব নোৱাৰে।গতিকে অলপ মান পইচা পোৱাৰ তাড়নাত তাত থকা মানুহখিনি যিকোনো কাম কৰিবলৈ সাজু হয়।গতিকে ইয়াৰ বাবে চৰকাৰে অলপ হ'লেও কিছুমান কৰ্তব্য আছে।বৰ্ধিত হাৰত বৃদ্ধি পোৱা জনসংখ্যাই অৰণ্যৰ প্ৰতি ভাবুকি আনিছে।সংৰক্ষিত অৰণ্যৰ ওচৰে-পাঁজৰে বসবাস কৰা মানুহখিনি উলিয়াই আনি অন্য ঠাইত সংস্থাপন দিব লাগে হয়তো তেতিয়া কিছু পৰিমাণ হ'লেও অৰণ্যত চলি থকা কিছুমান গোপন কাম বন্ধ হ'ব।কিয়নো থলুৱা মানুহৰ অবিহনে যিকোনো সংৰক্ষিত অৰণ্যত প্ৰৱেশ কৰাটো অতি জটিল কাম।ইয়াৰ স্পষ্ট উদাহৰণ পোৱা যায় আমাৰ কাজিৰঙাত।কিয়নো যিমানেই যি নহওক তাত থকা স্থানীয় মানুহখিনিৰ সহায় অবিহনে কেতিয়াও গঁড় হত্যা কৰিব নোৱাৰে এয়া সঁচা কথা।আন ৰাজ্যত অৰণ্যৰ মাটিকালিৰ পৰিমাণ বাঢ়িছে যদিও আমাৰ উত্তৰ-পূৰ্বাঞ্চলত ওলোটা ৰূপহে দেখিবলৈ পোৱা যায়।আমাৰ অসমৰ বিভিন্ন জিলাৰ ভিতৰত কাৰ্বি-আংলঙেই হৈছে অৰণ্যৰে ভৰপূৰ জিলা।কিন্তু বৰ্ধিত জনসংখ্যা আৰু প্ৰদূষণৰ ফলত এই হাৰ কমি আহিছে।উত্তৰ-পূৰ্বাঞ্চলৰ বহুতেই

> বৰ্তমান যি হাৰত সেউজীয়া অৰণ্যখন কমি আহিছে ঠিক তেনে হাৰত কমি থাকিলে অহা পঞ্চাছ বছৰত গোলকীয় উষ্ণতাই তীব্ৰ ৰূপ ধাৰণ কৰিব এয়া সত্য। গতিকে সেউজীয়া অৰণ্যখন ভৱিষ্যতে নৱপ্ৰজন্মৰ বাবে অতি সুন্দৰকৈ ৰাখিবলৈ হ'লে আমাৰ জনসাধাৰণৰ মনোভাৱ সলনি কৰিব লাগিব।আমাৰ সংৰক্ষণতাৰ অভাৱৰ বাবেই সেউজীয়া অৰণ্যৰ ধ্বংসৰ মূল কাৰণ।

অতি প্ৰাচীন কালৰপৰাই এক বিশেষ পদ্ধতিৰে খেতি কৰি আহিছে।এয়া হৈছে "জুম খেতি"। উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰায় ১৫,০০০ বৰ্গ কিলোমিটাৰ আগুৰি আছে জুম খেতি।তাত বসবাস কৰা স্থানীয় মানুহখিনিৰ বাবে এয়া থলুৱা পদ্ধতি বা কম খৰচত হোৱা খেতি।কিন্তু দেখা যায় যে জুম পদ্ধতিৰে খেতি কৰিলে লাভৰ সলনি লোকচানহে হয়।বিশেষকৈ যোৱা আঠ বছৰত অৰুণাচল প্ৰদেশৰ অৰণ্যৰ মাটিকালি হ্ৰাস পোৱাৰ একমাত্ৰ কাৰণ হৈছে জুম খেতি।গতিকে এনে জুম খেতিৰ সলনি অন্য উদ্যোগৰ প্ৰতি আকৰ্ষিত কৰাবলৈ বিভিন্ন আঁচনি, সজাগ-সচেতনতা আদি পন্থা অৱলম্বন কৰিব লাগে।অসমৰ মুঠ মাটিকালি ৭৮,৪৩৮ বৰ্গ কিলোমিটাৰৰ ২৪.৯ শতাংশ সেউজীয়া অৰণ্য।ইয়াত ৪০০ বিধ ভিন্ন প্ৰজাতিৰ বিভিন্ন গছ-গছনি পোৱা যায়।সীমা কাষৰীয়া ৰাজ্য নাগালেণ্ড আৰু অৰুণাচল প্ৰদেশে অসমৰ অৰণ্যৰ বহুখিনি ঠাই বেদখল কৰি আছে।অসমৰ প্ৰতি বছৰে হোৱা বানপানীৰ ফলত আমাৰ অৰণ্যৰ মাটি ধ্বংস হ'ল।আমাৰ অসমৰ কাৰ্বি-আংলঙৰ অৰণ্যৰ মাটিকালিৰ পৰিমাণ বেছি যদিও পূৰ্বৰ তুলনাত বহুখিনি হ্ৰাস পাইছে।অৰণ্যৰ আন এক সমস্যা হৈছে বহু বছৰৰ আগৰপৰাই চোৰাংকৈ গছ কাটি অন্য ৰাজ্য বা দেশলৈ ৰপ্তানি হৈ থকা।কিন্তু এইবোৰ কেতিয়াও পোহৰলৈ ওলাই নাহে।এনেধৰণৰ চোৰাং কাঠৰ ব্যৱসায়ত বন বিভাগৰ বিষয়া,ডাঙৰ ডাঙৰ ব্যৱসায়ী, তলৰপৰা ওপৰৰৰ নেতালৈ এক এনাজৰীৰে বান্ধ খাই আছে। কিন্তু বৰ্তমান যি হাৰত সেউজীয়া অৰণ্যখন কমি আহিছে ঠিক তেনে হাৰত কমি থাকিলে অহা পঞ্চাছ বছৰত গোলকীয় উষ্ণতাই তীব্ৰ ৰূপ ধাৰণ কৰিব এয়া সত্য। গতিকে সেউজীয়া অৰণ্যখন ভৱিষ্যতে নৱপ্ৰজন্মৰ বাবে অতি সুন্দৰকৈ ৰাখিবলৈ হ'লে আমাৰ জনসাধাৰণৰ মনোভাৱ সলনি কৰিব লাগিব।আমাৰ সংৰক্ষণতাৰ অভাৱৰ বাবেই সেউজীয়া অৰণ্যৰ ধ্বংসৰ মূল কাৰণ।সাধাৰণ ৰাইজক অৰণ্যৰ প্ৰতি আকৰ্ষিত কৰিব পৰাকৈ কিছুমান সজাগতা শিবিৰ পাতিব লাগিব।গতিকে তাৰ বাবে চৰকাৰ,বিভিন্ন চৰকাৰী, বেচৰকাৰী দল,সংগঠন আৰু সাধাৰণ ৰাইজৰ সহায়-সহযোগিতা নিতান্তই প্ৰয়োজনীয়।কাৰণ আপোনাৰ সহায়-সহযোগিতাৰ অবিহনে এই কাম সমাধা নহয়।কাৰণ আপুনি এজন সচেতন ভাৰতীয় নাগৰিক।সেউজীয়া অৰণ্যখন এতিয়া সংৰক্ষণ নকৰিলে আৰু কেতিয়াও নহ'ব।তেন্তে সেউজীয়া অৰণ্যখনৰ সংৰক্ষণত আপুনিও গুৰুত্ব দিয়ক...।

ভ্ৰাম্যভাষ: ৮০১১৭৭৮০৩৮

# আমি সঁচাকৈয়ে পৰিৱেশৰ প্ৰতি দায়বদ্ধনে..!

**কৌশিক জ্যোতি বৰা**

সাম্প্ৰতিক সময়ত সঘনে উচ্চাৰিত হোৱা শব্দবোৰৰ ভিতৰত পৰিৱেশ সংৰক্ষণ,পৰিৱেশ প্ৰদূষণ,বহনক্ষম উন্নয়ন আদি শব্দবোৰ সততে শুনা যায়।কণ কণ শিশু কেইটাৰ পৰা আৰম্ভ কৰি বৃদ্ধজনলৈকে প্ৰতিগৰাকী মানুহেই যেন পৰিৱেশৰ প্ৰতি সাংঘাতিক সচেতন। পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা সভা-সমিতি সমূহৰ উপৰিও বিভিন্ন সময়ত বিভিন্ন উপলক্ষে আয়োজিত সভা-সমিতি আৰু উৎসৱ-পাৰ্বন সমূহতো পৰিৱেশ সংৰক্ষণৰ বিষয়ে বিজ্ঞজনৰ বৰ বৰ ভাষণ শুনা যায়।এনে সভা-সমিতি সমূহত ভাষণ শুনি এনেকুৱা লাগে যেন এতিয়াৰ পৰা আমাৰ প্ৰত্যেকজন নাগৰিকেই সাংঘাতিক ধৰণে পৰিৱেশ আৰু প্ৰকৃতিৰ পৰম বান্ধৱ হৈ পৰিব।পৰিবেশ আৰু প্ৰকৃতি বিষয়ক আমাৰ আৰু কোনো সমস্যাই নাথাকিব।কিন্তু বাস্তৱত সেয়া যেন সপোনত স্বৰ্গৰোহন কৰাৰ দৰে।নিৰক্ষৰজনটো বাদেই পঢ়ি শুনি বিজ্ঞ হৈ খোদ পৰিৱেশ সংৰক্ষণৰ প্ৰতি সজাগতাৰ জোৱাৰ আনিবলৈ যোৱাজনো যেন বাস্তৱ জীৱনত স্বভাৱৰ দাস। কথা আৰু কামৰ মাজত এক বিৰাট তফাৎ।বাস্তৱত পৰিৱেশ সংৰক্ষণ সম্বন্ধীয় আইন যেন বিদ্যাৰ্থীসকলৰ উত্তৰ বহী ,প্ৰতিযোগিতা মূলক পৰীক্ষা,নেতা আৰু পৰিৱেশ বিজ্ঞানীৰ ভাষণতে সীমাবদ্ধ।সাধাৰণ নাগৰিক সকল ইয়াৰ পৰা বহুযোজন দূৰত। 'পৰিৱেশ দিৱস' যেন বেনাৰ,সমদল,মেল-মিটিং আৰু গছপুলি দুটামান ৰোপণ কৰি ফটো তুলি সামাজিক মাধ্যমত প্ৰচাৰ কৰাৰ এটা উৎসৱহে।সাধাৰণ মানুহক চুব নোৱৰা এইবোৰ যেন একো একোটা বিৰাট ফেশ্যন।

যদি আমি নিজকে প্ৰশ্ন কৰোঁ আমি বাৰু সঁচাকৈয়ে বিঘ্নিত পৰিৱেশৰ প্ৰতি উদ্বিগ্ন নে!সঁচাকৈয়ে আমাৰ প্ৰকৃতিৰ প্ৰতি,আমাৰ নিজৰ প্ৰতি মৰম আৰু দায়বদ্ধতা আছেনে?আমি বাৰু পৰিৱেশ সচেতকৰ ভাও জুৰি থকা একো একোজন মুখা পিন্ধা ভণ্ড নহয়নে..!যদি সঁচাকৈয়ে আমি সচেতন তেতিয়াহলে আমাৰ শিক্ষা আৰু শিখৰত আৰোহণ কৰা সভ্যতাই কিয় সংকুচিত কৰি আনিছে অৰণ্যসমূহ!নে বিজ্ঞান আৰু প্ৰযুক্তিৰে চন্দ্ৰ ,মঙ্গল গ্ৰহকে ধৰি অন্যান্য গ্ৰহ সমূহত বসতি কৰাৰ সপোন দেখি পাহৰি পেলাইছোঁ এই বিনন্দীয়া প্ৰকৃতিৰ

আমাৰ প্ৰতি নিঃস্বাৰ্থ মৰম আৰু কৃপাৰ বৰ্ষণ।কেতিয়াবা ভাব হয় কংক্ৰিটৰ দেৱালৰ মাজত কেৱল লাভ আৰু লোকচানৰ হিচাপ কৰি কৰি আমি যেন এতিয়া একো একো জন পক্কা সদাগৰলৈ পৰিৱৰ্তন হৈ গৈছোঁ।যাৰ কাৰণে প্ৰকৃতি,বন্য প্ৰাণী,পৰিৱেশ এইবোৰটো বাদেই নিজৰ প্ৰতিয়ে কোনো মমতা নাই।

সততে দেখি থকা কেইটামান দৃশ্যৰ টুকুৰাৰে আমি কিমান কাণ্ডজ্ঞানহীন প্ৰমাণ কৰোঁ আহক-

১/গাঁও পঞ্চায়তৰ সহযোগত চৰকাৰী উদ্যোগত আমাৰ গাঁৱৰ ৰাস্তাৰ কাষে কাষে ৰোপণ কৰা গছ পুলিবোৰৰ কিমানজোপা গছলৈ পৰিণত হ'ল?আপোনাৰ ঘৰৰ সন্মুখতে থকা পুলিটোত দি থোৱা ঘেৰাটো আপোনাৰ গৰুজনীয়েই মহতিয়াই পুলিটো টানি উঘালি পেলালে ।ইয়াত আপোনাৰ কৰিবলগা একো নাই।কাৰণ পুলি চৰকাৰে ৰুইছে আৰু সেয়ে তাৰ প্ৰতিপালনো চৰকাৰৰ দায়িত্ব।

২/ আপোনাৰ ল'ৰাটোৱে খাই শেষ কৰি ৰাস্তাতে পেলাই দিয়া চিপছৰ পেকেটটো, মাজ্জাৰ বটলটো,চৰকাৰী অফিচৰ চুকটোলৈ মাৰি পঠিওৱা আপোনাৰ মুখৰ সেই তামোলৰ পিকখিনি কিমান যে তেনেকৈয়ে পেলাই হিচাপ নাই।নিজৰ ইচ্ছা মতে পাৰি কাৰণ ৰাস্তাটো আৰু অফিচটো আপোনাৰ নহয়,চৰকাৰৰ।আৰু তাতে তাৰ বাবে কোনো জৰিমনাও দিব নালাগে।চিন্তা কিহৰ..! নগৰ সমিতি,পৌৰ সভা এইবোৰ কিয় আছে!চাফা কৰি লৈ যাব।

৩/হকে-বিহকে আন্দোলন আৰু প্ৰতিবাদ কৰিবলৈ টায়াৰ নজ্বলালে হ'বনে? টায়াৰৰ ক'লা ধোঁৱা গৈ মন্ত্ৰী আমোলৰ ঘৰৰ খিৰিকী ভেদ কৰক নকৰক প্ৰতিবাদ স্থলীৰ ৪০০/৫০০মিটাৰ ব্যাসাৰ্ধ কিন্তু ক'লা হবই লাগিব।সেই ধোঁৱা যদি আপোনাৰ নসিকাৰে সোমাই হাঁওফাঁও নাপাইগৈ তেন্তে কিহৰ প্ৰতিবাদ..!

৪/পিঁয়াজ বেছিকৈ দি ভজা মাছৰ কণীৰ ভাজি সৰু সৰু পোনা মাছৰ ভাজিখনৰ সোৱাদ কণ এৰিব নোৱাৰি দেই।কিহৰ আইন ফাইন আছে অ' থৈ দে।কত মাছ কাছ নোহোৱা হৈছে। হোৱাহোৰে ওলাই আছে।যদি আইন আছেই চৰকাৰে বন্ধ কৰক।আমি মাছ মাৰিমেই।

৫/ নাই নাই বিৰাম দিব নোৱাৰি।অহোৰাত্ৰি পাঠ হ'লেহে পুণ্যৰ ফল ধৰিব। এসপ্তাহ হে' ..।কি কথাটো হ'লনো..! ৩১ ডিচেম্বৰত দেখোন গোটেই ৰাতি অকতা গান বাজানা আৰু বিকত চিঞৰবোৰ শুনিয়ে আছ প্ৰতিবছৰে।মহা ভাগৱত ভাগ শুনিলেহে তহঁতৰ কাণ বেয়া হয়..!

৬/ বুইছানে গাড়ীখন লোৱাৰ পৰা চাইকেল চলাবলৈ একেবাৰেই মন নোযোৱা হ'ল।গাড়ীখন নহ'লে মোৰ



এই ব্ৰহ্মাণ্ডৰ জীৱকুলৰ ভিতৰত একমাত্ৰ প্ৰেমহীন, বিশ্বাসঘাতক আৰু বৰ্বৰ। আমাৰ চূড়ান্ত বৰ্বৰতা আৰু নিৰ্দয় আঘাতৰ পিছতো প্ৰকৃতিৰ আমাৰ প্ৰতি যি প্ৰেম আৰু কৃপা তাৰ বাবেই যে আমি এই পৃথিৱীত বৰ্তি আছোঁ।পৰিৱৰ্তন নিজে নাহে, আপুনি মই মিলিয়েই আনিব লাগিব,লাহে-লাহে ঢাপে-ঢাপে।আহকচোন আমি আমাৰ মুখাখন খুলি প্ৰকৃতিৰ সাগৰসম মৰমৰ প্ৰতিদান দি আমিও সঁচাকৈ প্ৰকৃতিৰ প্ৰেমত আৰু নিজৰ প্ৰেমত পৰোঁ।

এতিয়া দিনতে এন্ধাৰ ।চোৰাচোন ঘৰৰ পৰা এই ২০০মিটাৰ বাটটো মোৰ খোজকাঢ়িবলৈ এলাহ লাগি গাড়ীখনকে লৈ আহিছোঁ।বৰ বেয়া অভ্যাস হ'ল বুইছা।

৭/ ক'বলৈহে কাপোৰৰ মোনা কিন্তু লৈ ফুৰিবলৈ বেয়া লাগে হে'..।এনেও তুমি মই অকলে কাপোৰৰ মোনা ল'লে কিডাল হ' ব দোকানীয়ে পলিথিনৰ মোনাত বস্তু বেছিয়েই থাকিব।গতিকে বুজাই লাভ নাই!

(৮)বেৰা এটা নিদিয়াকৈ গছপুলি ৰুই লাভ নহয়।আজি ৰুম কালিলৈ কাৰোবাৰ গৰু-ছাগলীয়ে খাই পেলাব।পুলিটো এনেই নষ্টহে হ'ব তাতকৈ ৰুবই নালাগে। হেই ঘেৰা চেৰা বাদ দে কিবা গছপুলি এটা ৰুই লিফলেট দিয়া মতে বৃক্ষৰোপণ কাৰ্যসূচীটো হৈ গ'লেই হ'ল আৰু।তাৰ পিছত গৰুৱে খাই, ছাগলীয়ে খাই খাব।আমাৰ দৰকাৰ নাই।

দেখাত সাধাৰণ যেন লগা কিন্তু সুদূৰপ্ৰসাৰী প্ৰভাৱ থকা এইবোৰ আমাৰ দৈনন্দিন জীৱনত দেখি থকা ঘটনা। আৰু ডাঙৰ কথাটো হল এই কাৰ্য বা ঘটনাৰ লগত জড়িত ব্যক্তি সকলৰ বেছিভাগেই উচ্চশিক্ষিত বিষয়া,চৰকাৰী কৰ্মচাৰী ,শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী।সপোনৰ ছয়াময়া ধুনীয়া ছবিখনৰ বাস্তৱত যে ইমান কঠিন আৰু নিৰ্দয় ভাবিবলৈকে টান হয়।আমি যে কথা আৰু কামৰ পৰস্পৰ স্ব-বিৰোধী পৰিবেশ সংৰক্ষণৰ ভণ্ড সচেতক এনেকুৱা কথা কাণ্ডই প্ৰমাণ কৰি থকা নাইনে!আমি কেতিয়া অন্তৰেৰে অনুভৱ কৰিম যে আমি আমাক শেষ কৰি আনিছোঁ ক্ৰমশ:।এই ব্ৰহ্মাণ্ডৰ জীৱকুলৰ ভিতৰত একমাত্ৰ প্ৰেমহীন, বিশ্বাসঘাতক আৰু বৰ্বৰ। আমাৰ চূড়ান্ত বৰ্বৰতা আৰু নিৰ্দয় আঘাতৰ পিছতো প্ৰকৃতিৰ আমাৰ প্ৰতি যি প্ৰেম আৰু কৃপা তাৰ বাবেই যে আমি এই পৃথিৱীত বৰ্তি আছোঁ।পৰিৱৰ্তন নিজে নাহে, আপুনি মই মিলিয়েই আনিব লাগিব,লাহে-লাহে ঢাপে-ঢাপে।আহকচোন আমি আমাৰ মুখাখন খুলি প্ৰকৃতিৰ সাগৰসম মৰমৰ প্ৰতিদান দি আমিও সঁচাকৈ প্ৰকৃতিৰ প্ৰেমত আৰু নিজৰ প্ৰেমত পৰোঁ। প্ৰকৃতিয়ে আমাক ভালপোৱাৰ দৰেই আমিও ভালপাবলৈ লওঁ প্ৰকৃতিৰ নিবিড় সান্নিধ্য।আৰু ইমান গভীৰভাৱে যাতে "পৰিৱেশ সংৰক্ষণ"আৰু "প্ৰদূষণ' আদি শব্দবোৰ,পৰিৱেশ সংৰক্ষণ সম্বন্ধীয় আইনবোৰৰ প্ৰয়োজনেই নোহোৱা হয়..।



# কাগজ-কলমৰ লগতে গছপুলি এটাও তুলি লওঁ আহকচোন

**নিমিষা বৰা**

"হেঙুলী কিৰণে তোমাকেই সুঁৱৰালে
ৰ'দালিয়ে মিচিকি হাঁহে
সেউজীয়াবোৰ তুমি দিয়াৰ হেঁপাহতে..."

পাৰিপাৰ্শ্বিক পৰিৱেশৰ প্ৰতি কবি আৰু শিল্পীসকলৰ চিৰ আকৰ্ষিত বিষয়বস্তু। সোণবৰণীয়া ধান, লহিওৱা বেলিৰ আভা,চৰাই-চিৰিকটিৰ কাকলি,জীৱ-জন্তুৰ বিভিন্ন ছন্দৰ ওপৰত কবি-শিল্পীসকলৰ হাতত ন ন কবিতা তথা চিত্ৰই প্ৰাণ পাই উঠে।চৰাইৰ কাকলিয়ে সূৰ্যৰ প্ৰখৰ ৰ'দতো গা শাঁত পেলায়। বিল-পিতনি,চৰণীয়া পথাৰ আদিত মন-প্ৰাণ ঢালি সকলো মানুহেই উপভোগ কৰিব পাৰে সেউজ পৃথিৱীখন।কিন্তু যান্ত্ৰিক হৈ পৰা মানুহৰ বাবে এতিয়া সেইবোৰ অতীত হৈ পৰিছে।যাৰ ফলত পাৰিপাৰ্শ্বিক পৰিৱেশ লাহে লাহে বিনষ্ট হ'ব ধৰিছে। নগৰ-চহৰত বাস কৰা প্ৰায়ভাগ মানুহৰ কাৰণে এতিয়া পথাৰৰ বঁকিয়া, সোণবৰণীয়া শইচ,সেউজীয়া পথাৰ আদি ইচ্ছা কৰিলেও চোৱাটো অসম্ভৱ হৈ পৰিছে একমাত্ৰ নিজৰ আধুনিকতাৰ পোছাকৰ বাবে,যি সাজ পোছাকে এফালে মানুহক উন্নতিৰ পথলৈ ঠেলি নিছে আৰু আনফালে এক অভাৱনীয় দুৰ্ভিক্ষলৈ টানি আনিছে।ফলত

বৰ্তমান অসমত চাৰিলেনযুক্ত পথ নিৰ্মাণ হৈ থকাৰ বাবে পথৰ কাষৰ হাজাৰ হাজাৰ গছ-গছনি কাটিব লগীয়া হৈছে। সেই হাজাৰ হাজাৰ গছে আমাক কিমান উপকাৰ কৰিছিল, সেয়া হয়তো আমি সকলোৱে উপলব্ধি কৰিব পাৰিছোঁ।উপকাৰ সাধন কৰা গছবোৰৰ বিপৰীতে আমি পথৰ কাষৰ বাসিন্দাসকলে যদি নিজৰ ঘৰৰ আগত একোজোপাকৈ হ'লেও গছপুলি ৰোপণ কৰোঁ,নিশ্চয়কৈ ভৱিষ্যতে ই আমাক বহু পৰিমাণে সহায় কৰিব।

গোলকীয় উত্তাপ বৰ্ধিত হাৰত বৃদ্ধি,অ'জন স্তৰৰ অৱক্ষয়,বন আৰু শক্তি সম্পদৰ হ্ৰাস,বিশ্বৰ জৈৱ বৈচিত্ৰ্যতাৰ ক্ষতিসাধন হৈছে।সেই সেউজ কবিতা-গীতবোৰ যেন এতিয়া অতীত হৈ পৰিছে!কিন্তু এই অতীতক বৰ্তমান কৰাৰ দায়িত্ব আমাৰ।কিয়নো অতীতক ভেটি কৰিহে ভৱিষ্যতৰ পথ সৃষ্টি হয়। সেইবাবে এই পৰিৱেশ সংৰক্ষণ কৰাটো অ‌ামাৰ কৰ্ম আৰু এই কৰ্মই কঢ়িয়াই আনিব সেউজীয়া ধৰণী তথা মনত প্ৰশান্তিৰ সমীৰ।সেয়ে দালাই লামাৰ ভাষাত ক'বলৈ গ'লে *"It is our collective and individual responsibility ...to preserve and tend to the world in which we all live ."*

যাৰ জন্ম হয় তাৰ মৃত্যুও অনিবাৰ্য।পৃথিৱীখনো এদিন জন্ম হৈছিল আৰু তাৰ মৃত্যুও হ'ব এদিন।কিন্তু পৃথিৱীৰ মৃত্যু বা আয়ুস জুখিবলৈ মানুহৰ হাতত এতিয়ালৈকে নিখুঁত আহিলা আৱিষ্কৃত হোৱা নাই যদিও বৰ্তমানৰ পৰিস্থিতি চাই মৃত্যু যে বেছি দূৰত নাই,তাৰ পূৰ্বানুমান বিজ্ঞানীসকলে কৰিছে।ইয়াৰ মূলতে হ'ল আমি মানুহ জাতি।ঔদ্যোগীকৰণ,কৃষি সম্প্ৰসাৰণ,নগৰীকৰণ, জলবিদ্যুৎ প্ৰকল্প,নদীবান্ধ আদি অনেক কাম কৰিবলৈ যাওঁতে আমি পাৰিপাৰ্শ্বিক পৰিৱেশৰ বুকুত আঘাত সানিছো যাৰ ফলত প্ৰকৃতিৰ প্ৰতিক্ৰিয়া অস্বাভাৱিক হ'ব ধৰিছে।এই দুৰ্যোগৰ সময়ত আমাৰ বহুতো কৰণীয় আছে।

বৰ্তমান অসমত চাৰিলেনযুক্ত পথ নিৰ্মাণ হৈ থকাৰ বাবে পথৰ কাষৰ হাজাৰ হাজাৰ গছ-গছনি কাটিব লগীয়া হৈছে। সেই হাজাৰ হাজাৰ গছে আমাক কিমান উপকাৰ কৰিছিল, সেয়া হয়তো আমি সকলোৱে উপলব্ধি কৰিব পাৰিছোঁ।উপকাৰ সাধন কৰা গছবোৰৰ বিপৰীতে আমি পথৰ কাষৰ বাসিন্দাসকলে যদি নিজৰ ঘৰৰ আগত একোজোপাকৈ হ'লেও গছপুলি ৰোপণ কৰোঁ,নিশ্চয়কৈ ভৱিষ্যতে ই আমাক বহু পৰিমাণে সহায় কৰিব।তদুপৰি শিক্ষানুষ্ঠান সমূহলৈ পাঠদান কৰিবলৈ প্ৰতিবছৰে লাখ লাখ শিক্ষাৰ্থী আহে। যদি প্ৰতিজন শিক্ষাৰ্থীয়ে এজোপাকৈ হ'লেও গছপুলি ৰুই তাৰ প্ৰতিপালন কৰে,তেন্তে প্ৰতিবছৰে আমি কিমান গছপুলি প্ৰকৃতিৰ বুকুত দান দিব পাৰিম এবাৰ ভাবকচোন!অৱশ্যে এই ক্ষেত্ৰত শিক্ষানুষ্ঠানসমূহেও উচিত পদক্ষেপ

লোৱাটো গুৰুত্বপূৰ্ণ।অন্ততঃত আমি সকলোৱে বুজি উঠিব লাগিব যে--"Earth is our mother. Inspite of our desire to harm our mother, she will always love us forever."

উদাহৰণস্বৰূপে আমি অৰণ্যমানৱ যাদৱ পায়েঙৰ কথাকে ক'ব পাৰোঁ,যিজন মানুহে একনিষ্ঠভাৱে কাম কৰি যোৰহাট জিলাৰ ককিলামুখত ৪১২৫ বিঘা (৫৫০ হেক্টৰ) মাটিত গছপুলি ৰুই "মুলাই কাঠনি" গঢ়ি তুলিলে।এনেকুৱা আৰু বহুতো উদাহৰণ আছে য'ত প্ৰকৃতিপ্ৰেমীয়ে প্ৰকৃতি নিধনৰ বিপৰীতে কাম কৰি

সদিচ্ছা থাকিলে অসম্ভৱো সম্ভৱ হৈ উঠিব পাৰে। উদাহৰণস্বৰূপে আমি অৰণ্যমানৱ যাদৱ পায়েঙৰ কথাকে ক'ব পাৰোঁ,যিজন মানুহে একনিষ্ঠভাৱে কাম কৰি যোৰহাট জিলাৰ ককিলামুখত ৪১২৫ বিঘা (৫৫০ হেক্টৰ) মাটিত গছপুলি ৰুই "মুলাই কাঠনি" গঢ়ি তুলিলে।এনেকুৱা আৰু বহুতো উদাহৰণ আছে য'ত প্ৰকৃতিপ্ৰেমীয়ে প্ৰকৃতি নিধনৰ বিপৰীতে কাম কৰি আছে।সেয়ে আমিও তেনে কামবোৰ কৰিবলৈ আগবাঢ়ি অহা উচিত।ইয়াৰ বাবে প্ৰয়োজন হয় ইচ্ছা আৰু আগ্ৰহৰ। কিয়নো ইচ্ছা থাকিলে উপায়ৰ অভাৱ নহ'ব নিশ্চয়। কথাতেই কয় "মন কৰিলেই চন,বাকৰি মাটিতেই ধন।" মানুহৰ মনৰ মাজতেই সকলোৱে সংজ্ঞা যেন নিহিত হৈ থাকে।

সেইবাবে পৰিৱেশ সংৰক্ষণৰ বাবে ল'ব পৰা এই ব্যক্তিগত সৰু সৰু প্ৰয়াসবোৰেই পৰিৱেশৰ সমস্যাৰ অন্ত পেলাব নোৱাৰিলেও অদূৰ ভৱিষ্যতে পৰিৱেশ সংৰক্ষণত ই যে এক সুদূৰপ্ৰসাৰী আৰু যোগাত্মক প্ৰভাৱ পেলাব,তাত ধনিষ্ঠমানো সন্দেহ নাই। গতিকে,কাগজ-কলমৰ লগতে আমি হাতত গছপুলি এটাও তুলি লওঁ আহকচোন একমাত্ৰ আমাৰ এই পৰিৱেশক জীয়াই ৰখাৰ স্বাৰ্থত।এই সৰু সৰু প্ৰয়াসবোৰেই এদিন সুৱাস কঢ়িয়াব,কবিৰ কাপৰ পৰা কবিতা নিগৰিব, গীতিকাৰেও গীত ৰচিব আৰু সেই গীত শুনি যেন প্ৰকৃতিয়েও উলাহতে ৰং সানিব।শেষত, Kahlil Gibran ৰ ভাষাত ক'বলৈ গ'লে *"Trees are poems that earth writes upon the sky, well fell them down and turn them into paper, that we may record our emptiness."*

দূৰভাষঃ ৯০৮৫০৩৯৮৬৯

# পৰিস্থিতিতন্ত্ৰৰ পুনৰুদ্ধাৰ
## ২০২১ৰ পৰা ২০৩০লৈ কিমাননো পৰ!

মানস প্ৰতিম দত্ত



**পৰিৱেশ সংৰক্ষণ মানে কেৱল গছপুলি ৰোপন নহয়**

পৰিৱেশ অধ্যয়নৰ গুৰুত্ব সম্পৰ্কে চিন্তাৰ পথ মুকলি হোৱা বেছি দিন হোৱাই নাই। ১৮৬৯ চনত আৰ্ণষ্ট হেকেল নামৰ বিজ্ঞানীজনে পোনপ্ৰথমবাৰৰ বাবে পৰিৱেশ অধ্যয়ন যে অতিকৈ প্ৰয়োজনীয় সেই কথা দাঙি ধৰিছিল। হেকেলে পৰিৱেশ অধ্যয়নক ইক'ল'জি নামেৰে নামকৰণ কৰিছিল। ইক'ল'জি শব্দটো আহিছে Oikos আৰু logos শব্দৰ পৰা। গ্ৰীক শব্দ Oikosৰ পৰা আহৰণ কৰা হৈছিল ইক' শব্দটো। যাৰ অৰ্থ হ'ল বাসস্থান। আনহাতে গ্ৰীক ভাষাৰ logos শব্দটোৰ অৰ্থ হ'ল অধ্যয়ন। গতিকে ইক'ল'জি হ'ল বাসস্থানৰ বিষয়ে কৰা অধ্যয়ন। হেকেলৰ এই অৱদানে পৰিৱেশ অধ্যয়নৰ গুৰুত্ব সম্পৰ্কে অৱগত কৰা বহু কালৰ পাছতহে সংৰক্ষণৰ গুৰুত্ব সম্পৰ্কে মানুহে উপলব্ধি কৰিবলৈ আৰম্ভ কৰে।

আজিৰ পৰা প্ৰায় ৫০ টা বছৰৰ পূৰ্বেই পৰিৱেশ সংৰক্ষণ চিন্তনৰ আনুষ্ঠানিক বাট মুকলি হৈছিল। পৰিৱেশ সংৰক্ষণক কটকটীয়া কৰি তোলাত মানুহৰ দায়িত্ব সম্পৰ্কে সজাগ কৰাৰ উদ্দেশ্যেৰে সিদ্ধান্ত লোৱা হৈছিল পৰিৱেশৰ বাবে এটা দিন উদযাপনৰ। সেই দিনেই বিশ্ব পৰিৱেশ দিৱস। কিন্তু সামগ্ৰিক ভাৱে একেটা দিনতে পৰিৱেশ সংৰক্ষণ কৰাৰ লক্ষ্য নাছিল এই দিৱসৰ। কিন্তু আমি অতি সহজভাৱে সকলো কথা গ্ৰহণ কৰাৰ ফলতে এনে হৈ পৰা পৰিলক্ষিত হৈছে যে, পৰিৱেশ

দিৱসৰ দিনটোহে কেৱল পৰিৱেশ সজাগতাৰ বাবে প্ৰয়োজনীয় দিন। অৱশ্যে নতুন প্ৰজন্মৰ মাজত ন-কৈ বা পুনৰ পৰিৱেশ সচেতন মন এটাও গঢ় লৈ নুঠা নহয়। সাম্প্ৰতিক সময়ৰ প্ৰজন্মই কথা-বতৰাক যুক্তিৰে ফঁহিয়াই চাবলৈ শিকিছে। ১৯৭২ চনৰ পৰা আৰম্ভ হোৱা সংৰক্ষণ আৰু সজাগতাৰ যাত্ৰাত অংশ লৈছে। পৰিৱেশ দিৱস মানেই গছপুলি ৰোপণ - এই পৰম্পৰাগত কথাৰ পৰা আঁতৰি পৰিৱেশ নিৰ্ভৰ গছপুলি ৰোপণৰ প্ৰতি আগ্ৰহী হৈছে।সম্প্ৰতি গছপুলি ৰোপনৰ নামৰ কোনে ক'ত বেছিকৈ গছপুলি ৰুব পাৰে তাৰ প্ৰতিযোগিতা হোৱাহে দেখা গৈছে। অথচ, প্ৰতিযোগিতা হ'ব লাগিছিল কোনে কিমান ভালদৰে গছপুলিসমূহ প্ৰতিপালন কৰিব পাৰিব, কেনেকৈ অসুৰক্ষিত স্থানৰ পৰা আনি সুৰক্ষিত স্থানত সুৰক্ষিত কৰি ৰাখিব এনে ধাৰণাৰহে। পৰিৱেশ সংৰক্ষণ মানে কেৱল গছপুলি ৰোপণেই নেকি? এই প্ৰশ্নটো আমাৰ মনলৈ নহা নহয়। আচলতে গছপুলি ৰোপন কাৰ্যৰ সমান্তৰালভাৱে আমাৰ থলুৱা জীৱ-জন্তুসমূহৰ সংৰক্ষণৰ বাবে আমি সজাগ হ’ব লাগে। আমি সকলোৱে জানো যে প্ৰত্যেক জীৱই আন এটা জীৱৰ ওপৰত প্ৰত্যক্ষ বা পৰোক্ষভাৱে নিৰ্ভৰশীল। এই নিৰ্ভৰশীলতা সম্পৰ্কে আমি কোনোবাদিনা ব্যৱহাৰিকভাৱে আলোচনা কৰিছোনে সেয়া এক প্ৰশ্নবোধক। আমি সংৰক্ষণ আৰু পুনৰুদ্ধাৰৰ কথা জনাৰ সমান্তৰালভাৱে জীৱ-জন্তুৰ বিষয়ে আমি পৰ্যাপ্ত জ্ঞান আহৰণ কৰিব লাগিব। তাৰবাবেই লাগিব ব্যৱহাৰিক জ্ঞান । শ্ৰেণীকক্ষৰ পৰিৱৰ্তে প্ৰকৃতিৰ মাজত পৰিৱেশ শিক্ষা দিব লাগিব। আমি মাহটোত অন্তত: এটা দিন আকাশ চাবলৈ শিকিব লাগিব, এটা দিন গছ-গছনি, চৰাই-চিৰিকতি নিৰীক্ষণ কৰিবলৈ শিকিব লাগিব। ইয়াৰ উপৰিও গছপুলি ৰোপণ কৰাৰ পৰিৱৰ্তে গছপুলি কেনেকৈ ৰোপণ কৰা হয় আমি তাক শিকিব লাগিব, শিকাব লাগিব। আমি যিদৰে নিজৰ বন্ধু-বান্ধৱী বা শিক্ষাগুৰুৰ বা নিজৰ ৰাজ্য বা দেশখনৰ বিষয়ে নজনাটো লাজৰ কথা, ঠিক একেদৰে আমাৰ প্ৰকৃতিৰ জীৱপ্ৰজাতি সম্পৰ্কে নজনাটো যে লাজৰ কথা সেই কথা উপলব্ধি কৰিব লাগিব। আমি শীকিব লাগিব। অন্যথা পৰিস্থিতিতন্ত্ৰৰ অৱক্ষয় দিনক দিনে বাঢ়ি গৈ থাকিব।

মানুহ দায়ী কেনেকৈ?

যোৱা বছৰ বিশ্ব বন্যপ্ৰাণী সংস্থাৰ এক প্ৰতিবেদনত প্ৰকাশ পাইছে যে কেৱল মাত্ৰ '৭২ চনৰ পৰা '২০ চনলৈ- এই ৫০ বছৰত প্ৰায় ৬৮ %প্ৰাণী বিলুপ্ত হৈছে। ইয়াৰ মূলতে হ'ল পৰিস্থিতিতন্ত্ৰৰ অৱক্ষয়, জলবায়ু পৰিৱৰ্তন, তেজস্ক্ৰিয় বিকিৰণ আৰু অন্যান্য প্ৰাকৃতিক দুৰ্ঘটনা। পৰিৱেশ-প্ৰকৃতিৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা লয় কৃষিখণ্ডই । সম্প্ৰতি কৃষিখণ্ডত অত্যধিক সাৰ, কীটনাশক প্ৰয়োগৰ ফলত মাটিৰ গুণাগুণ নষ্ট হোৱাই নহয় বহুতো প্ৰাণীৰ ভৱিষ্যতলৈয়ো ভাবুকি নামি আহিছে। কৃষিৰ মাটি কমি অহাৰ লগতে জনসংখ্যাও বাঢ়ি আহিছে।

পৰিস্থিতিতন্ত্ৰক ধ্বংসৰ গৰাহলৈ ঠেলি নিয়াৰ বাবে দায়ী কি বুলি সুধিলে মোৰ মনলৈ প্ৰথম আহে জলবায়ু পৰিৱৰ্তন আৰু প্ৰদূষণৰ কথা। সম্প্ৰতি প্ৰদূষণ যিটো হাৰত বাঢ়িছে সেই কথা ভাবিবলৈ গ'লেই মোৰ মনোজগত ভাঁহি উঠে এষাৰি কথা। কোনে কৈছিল কথাষাৰ ঠিক মনত নাই যদিও কথাষাৰ আছিল এনেধৰণৰ - 'এশ বছৰ আগেয়ে মানুহে প্ৰদূষণ মানে জীৱ-জন্তুৰ আৱৰ্জনা, ঘৰুৱা পেলনীয়া সামগ্ৰী আৰু কয়লাৰ পৰা ওলোৱা ধোঁৱাক বুজাইছিল।' কিন্তু এতিয়া আমি প্ৰদূষণ বুলিলে কেৱল তাকেই বুজোনে? প্ৰদূষণ-পৰিৱৰ্তনৰ পৰা পৰিস্থিতিতন্ত্ৰক পুনৰুদ্ধাৰ কৰাৰ সময় সমাগত নহয়নে?

আমি জানো যে, পৰস্থিতি তন্ত্ৰ হৈছে - এক প্ৰকাৰৰ সমুদায়। এই সমুদায়ে জৈৱ-অজৈৱ সকলো কাৰককে সামৰি লয়। পৰিস্থিতিতন্ত্ৰৰ সংজ্ঞা দিবলৈ গৈ বিজ্ঞানী অ'ডাম(১৯৬৩)এ কৈছিল যে - 'পৰিস্থিতিন্ত্ৰ হ'ল জীৱ সমুদায় আৰু পৰিৱেশৰ মাজত পাৰস্পৰিক সম্পৰ্ক আৰু ইয়াৰ সৈতে এটাই আনটোক প্ৰভাৱিত কৰা ক্ৰিয়া পদ্ধতি।' ই খাদ্য শৃংখল, শক্তিৰপ্ৰবাহ আৰু খনিজ শৃংখলৰ জৰিয়তে এটাৰ সৈতে আনটোৰ মাজৰ সম্বন্ধ বৰ্তাই ৰাখে। পৰিস্থিতিতন্ত্ৰ মূলত: দুই প্ৰকাৰৰ। জৈৱিক আৰু অজৈৱিক পৰিস্থিতিতন্ত্ৰ । জীৱই জৈৱিক উৎসৰ পৰা জীয়াই থাকিবৰ বাবে প্ৰয়োজনীয় উপাদান আহৰণ কৰাৰ লগতে অজৈৱিক উৎসয়ো জীৱৰ পৰা প্ৰয়োজনীয় উপাদান আহৰণ কৰে। অৰ্থাৎ এটা আনটোৰ ওপৰত নিৰ্ভৰশীল। বতাহ, বৰষুণ, ৰ'দ আদিৰ দ্বাৰা জীৱসমূহ প্ৰভাৱিত হোৱাৰ দৰেই জীৱই প্ৰয়োজনীয় উপাদানসমূহ গ্ৰহণ কৰি আন অপ্ৰয়োজনীয় উপাদানসমূহ প্ৰদান কৰি মাটিৰ লগতে অজৈৱিক উপাদানসমূহৰ মাজত সমন্বয় ৰক্ষা কৰে। কিন্তু যেতিয়াই এই নিৰ্ভৰশীলতাৰ দোহাই দি এটাই আনটোক প্ৰভাৱিত কৰি ক্ষতি সাধন কৰে তেতিয়াই পৃথিৱীৰ ভৱিষ্যতৰ প্ৰতি ভাবুকি নামি আহে। এনেদৰে প্ৰভাৱিত কৰি পৰিৱেশক ক্ষতিসাধন কৰি নিজকে শ্ৰেষ্ঠ হিচাপে উপস্থাপনত কৰাৰ তালিকা প্ৰস্তুত কৰিলে সেই তালিকাত প্ৰথমতেই আহিব মানুহ । এতিয়া এই পৰিস্থিতিতন্ত্ৰক পুনৰুদ্ধাৰ কৰাৰ কথানো কিয় আহিল সেই কথা ফঁহিয়াবলৈ গ'লে আমি দেখিম যে, পুনৰুদ্ধাৰ বোলাৰ লগে লগে আমি এই কথা নিশ্চয় গম পাইছো যে ই ইতিমধ্যে ধ্বংস হৈছেই। গতিকে সেই ধ্বংসৰ পৰা উদ্ধাৰ কৰি মানুহ-প্ৰকৃতিক বহনক্ষম কৰি গঢ়ি তুলিব লাগিব। কিন্তু এই দায়িত্ব আমাক কিয় দিয়া হৈছে? পৰিস্থিতিতন্ত্ৰৰ বৰ্তমান অৱস্থাৰ বাবে দায়ী মানুহ। এই কথা আগত উল্লেখ কৰা হৈছে কিন্তু কিয় এনেকৈ কোৱা হৈছে সেই কথাটোৱে হয়তো আপোনাৰ মনোজগতত ক্ৰিয়া কৰিছে। ইয়াৰ বাবে আপোনাক লৈ যাব লাগিব বিশ্ব বতৰ সংস্থাৰ অধীনস্থ ১৯৮৮ চনত প্ৰতিষ্ঠিত ইণ্টাৰগভাৰ্ণমেণ্টেল পেনেল অন ক্লাইমেট চেঞ্জ, চমুকৈ আই পি চি চিৰ চতুৰ্থখন প্ৰতিবেদনৰ কাষলৈ। সেই প্ৰতিবেদনত

উল্লেখ কৰিছে যে পৰিৱেশক প্ৰভাৱিত কৰা কাৰকসমূহৰ ১০শতাংশহে প্ৰাকৃতিক হোৱাৰ বিপৰীতে বাকী ৯০ শতাংশই মানৱসৃষ্ট। মানৱসৃষ্ট পৰিৱেশতন্ত্ৰই কেনেকৈ পৰিস্থিতিতন্ত্ৰৰ অৱনমত ক্ৰিয়া কৰিছে সেই কথা জানিবলৈ আমি এটা সহজ উদাহৰণ ল'ব পাৰোঁ। আমি ঘৰত প্ৰায়ে খেতি কৰোঁ। সেই খেতি কৰা পৰিৱেশটো মানুহৰ দ্বাৰা সৃষ্ট। অৰ্থাৎ মানৱসৃষ্ট। সেই খেতিত আগতে জৈৱিক সাৰ প্ৰয়োগ কৰা হৈছিল ফলত মাটিৰ গুণাগুণৰ ওপৰত বিশেষ প্ৰভাৱ পৰা নাছিল। কিন্তু জনবিস্ফোৰণ আৰু মাটিৰ পৰিমাণ সংকোচনৰ লগে লগে কম মাটিত অত্যধিক উৎপাদনৰ আশাত অত্যধিক কীটনাশ, কৃত্ৰিম সাৰ আদি প্ৰয়োগ কৰা হ'ল। ফলত সেই উদ্ভিদ আৰু মাটিত প্ৰভাৱ পৰিল। ইয়াৰ লগতে মানুহৰ স্বাস্থ্যৰ ওপৰতো প্ৰভাৱ পৰিবলৈ ধৰিলে। জনসংখ্যা বিস্ফোৰণ ঘপহকৈ আৰম্ভ হোৱা নাছিল যদিও অষ্টাদশ শতিকাৰ পৰৱৰ্তী পৰ্যায়ত ই দ্ৰুত হাৰত বৃদ্ধি পাবলৈ আৰম্ভ কৰে। অষ্টাদশ থকা ৮১০ নিযুত জনসংখ্যা ক্ৰমাগত দুগুণকৈ দ্ৰুত বৃদ্ধিয়ে প্ৰাকৃতিক সম্পদৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। এনে বৃদ্ধিয়ে পৃথিৱীৰ বহনক্ষমতাত প্ৰভাৱিত কৰাৰ ফলত লাহে লাহে প্ৰকৃতিয়ে আমাক খাদ্য, অক্সিজেন আদি দিব নোৱাৰা দিশলৈ গতি কৰিছে। প্ৰভাৱিত হৈছে পৰিস্থিতিতন্ত্ৰ।

পৰিস্থিতিতন্ত্ৰ মূলত: দুই প্ৰকাৰৰ। জলজ পৰিস্থিতিতন্ত্ৰ আৰু স্থলজ পৰিস্থিতিতন্ত্ৰ। জলজ পৰিস্থিতিতন্ত্ৰ মানে সেইবোৰ পৰিস্থিতিতন্ত্ৰ যিবোৰ পানীৰ সৈতে জড়িত। পুখুৰী, হ্ৰদ, নদী, মোহনা আদি। আনহাতে স্থলজ পৰিস্থিতি তন্ত্ৰই অৰণ্য, ঘাঁহনি, বননি আৰু মৰুভূমিক আদৰি লয়। কিন্তু নিজৰ সুবিধাৰ বাবে মানুহে এই পৰিস্থিতিতন্ত্ৰসমূহৰ ওপৰত এনেদৰে প্ৰভাৱ বিস্তাৰ কৰিলে যে আজি মানুহেই মানুহৰ ভৱিষ্যতৰ বাবে মানুহৰ ওপৰত প্ৰশ্ন কৰিবলগীয়া হৈছে। গতিকে মানুহে মানুহৰ সুৰক্ষাৰ বাবেই ইয়াক পুনৰ আগৰ ৰূপলৈ নিয়াৰ সময় আহি পৰিছে । ইয়াৰ বাবেই ২০২১ বৰ্ষৰ বিশ্ব পৰিৱেশ দিৱসৰ দিনাৰ পৰাই আৰম্ভ হ'ব পৰিস্থিতিতন্ত্ৰৰ পুনৰুদ্ধাৰৰ ৰাষ্ট্ৰসংঘ দশক। ২০২১ বৰ্ষৰ পৰা ২০৩০ বৰ্ষলৈ এই দশক স্থিৰ কৰা হৈছে। এই দশকৰ মূল লক্ষ্য হৈছে পৰিস্থিতিতন্ত্ৰৰ অৱক্ষয় ৰোধ কৰি ইয়াক পুনৰুদ্ধাৰ কৰা । ইয়াৰ উপৰিও এই দশকেই বহনক্ষম বিকাশৰ লক্ষ্যত উপনীত হোৱা শেষ সীমা নিৰ্দ্ধাৰণ কৰা হৈছে। এতিয়া সময় আহি পৰিছে মানুহ আৰু প্ৰকৃতিৰ মাজৰ বহনক্ষমতাক শক্তিশালী কৰা তথা আন্ত:সম্পৰ্ক সুদৃঢ় কৰা। পৰিস্থিতিতন্ত্ৰৰ অৱক্ষয়ৰ ফলত ১.২ বিলিয়ন লোক পানীৰ অভাৱত পৰিছে। ৭০ মিলিয়নৰো অধিক লোক খাদ্যৰ অভাৱত ভূগিছে। লগতে জীৱবৈচিত্ৰ্যৰ ওপৰতো প্ৰভাৱ পৰিছে। এনেদৰে গৈ থাকিলে অহা ১০ বছৰত আমাক বৰ্তমানতকৈ ৪০% অধিক পানী, কাঠ তথা আঁহজাতীয় উপাদান প্ৰয়োজন হোৱাৰ লগতে বৰ্তমানতকৈ ৫০% অধিক খাদ্যসামগ্ৰী প্ৰয়োজন হ'ব। ইয়াৰ বাবে

আমাৰ হাতত এটাই উপায় আছে সেয়া হৈছে পৰিস্থিতিতন্ত্ৰক বহনক্ষম কৰি গঢ়ি তোলা ।

**পৰিস্থিতিতন্ত্ৰৰ পুনৰুদ্ধাৰৰ ৰাষ্ট্ৰসংঘ দশক আৰু পৰিকল্পিত পুনৰুদ্ধাৰ**

ৰাষ্ট্ৰসংঘই অহা ১০ বছৰত কিদৰে পৰিস্থিতন্ত্ৰক পুনৰুদ্ধাৰ কৰিব পাৰি তাৰ বাবে ৮ টা পৰিস্থিতিতন্ত্ৰ পুনৰুদ্ধাৰ পৰিকল্পনা কৰিছে। এই আঠটা হৈছে - খেতি পথাৰ পৰিস্থিতিতন্ত্ৰ, অৰণ্য পৰিস্থিতিতন্ত্ৰ, তৃণভূমি পৰিস্থিতিতন্ত্ৰ, অলৱণ জলৰ পৰিস্থিতিতন্ত্ৰ, পাৰ্বত্য পৰিস্থিতিতন্ত্ৰ, সামুদ্ৰিক পৰিস্থিতিতন্ত্ৰ, নগৰাঞ্চল পৰিস্থিতিতন্ত্ৰ, আদি।

খেতিপথাৰত অত্যধিক ৰসায়নিক সাৰ প্ৰয়োগে মাটি, পানী দূষিত কৰাৰ লগতে গোলকীয় উষ্ণতা বৃদ্ধিতো অৰিহণা যোগায়। খেতিপথাৰ পৰিস্থিতিতন্ত্ৰৰ পুনৰুদ্ধাৰৰ বাবে কৃত্ৰিম সাৰৰ পৰিৱৰ্তে জৈৱিক সাৰ প্ৰয়োগ কৰাৰ লগতে কম মাটিত সমন্বিত কৃষি পদ্ধতিত গুৰুত্ব দিব লাগিব। এনেধৰণে বেলেগ বেলেগ খেতি কৰিলে মাটিত কাৰ্বনৰ পুন:নিৰ্মাণ হ'ব আৰু মাটিৰ গুণাগুণৰ পৰিসৰ বৃদ্ধি পাব।

মানুহে ব্যক্তিগত স্বাৰ্থ আৰু সম্পদৰ লোভত বননি ধ্বংস কৰি গৈছে। বনধ্বংসৰ পৰা পৃথিৱীক সুৰক্ষিত কৰিবৰ বাবে পূৰ্বতে সেই ঠাইত যিধৰণৰ উদ্ভিদ আছিল সেই প্ৰজাতিৰ উদ্ভিদ ৰোপণৰ ব্যৱস্থা কৰিব লাগে। জনসংখ্যা ৰোধৰ কাৰ্যকৰী পদক্ষেপৰ জৰিয়তেও অৰণ্য ধ্বংসৰ পৰিমাণ ৰোধ কৰিব পৰা যায়। অব্যৱহৃত ঠাইসমূহত ক্ষুদ্ৰ ক্ষুদ্ৰ অৰণ্য সৃষ্টি কৰিও অৰণ্য পৰিস্থিতিতন্ত্ৰ পুনৰুদ্ধাৰ কৰিব পাৰি।

নদী আৰু হ্ৰদত স্বচ্ছ আৰু অধিক পৰিমাণৰ পানী থকা উচিত যদিও প্ৰদূষণ, মাছ চিকাৰ, ঔদ্যোগিক জলসিঞ্চনৰ ফলত পানীৰ স্বচ্ছতা হ্ৰাস পাই আহিছে। ইয়াৰ উপৰিও আমি ঘৰত হকে বিহকে পানী নষ্ট কৰাৰ ফলতো পৰিস্থিতিতন্ত্ৰৰ অৱক্ষয় ঘটিছে। এইক্ষেত্ৰত উদ্ভিদ আৰু নদীৰ মাজৰ সমন্বয় গঢ়ি তুলিবলৈ উদ্যোগ ল'ব লাগিব। আমি সকলোৱে জানো যে বহুতো মাছে ক্ষুদ্ৰ ক্ষুদ্ৰ পোক পতংগ খায়। গতিকে নদীকাষৰীয়া ঠাইতএনে পতংগই বসবাস কৰিব পৰা উদ্ভিদ ৰোপনৰ উদ্যোগ ল'ব লাগিব।

পাৰ্বত্য অঞ্চলৰ পৰিস্থিতিতন্ত্ৰ সুৰক্ষাৰ বাবে জংঘলক পুনৰ্জীৱিত কৰাটো অতিকে প্ৰয়োজনীয়। ইয়াৰ ফলত বহুতো প্ৰাকৃতিক দুৰ্ঘটনাৰ পৰিমাণ হ্ৰাস পাব পাৰে। এনে অঞ্চলত পদপথ নিৰ্মাণ কৰিবলগীয়া হ'লে সকলো অধ্যয়ণ সূচাৰুৰূপে পালন কৰাৰ লগতে যাতে জীৱসমুদায়ৰ ওপৰত প্ৰভাৱ নপৰে তাক কঠোৰভাৱে নিৰীক্ষণ কৰিব লাগে।

সাগৰীয় অঞ্চলত অধিক প্ৰদূষণ আৰু জলবায়ু পৰিৱৰ্তনৰ বাবে এন পৰিস্থিতিতন্ত্ৰসমূহ প্ৰভাৱিত হৈছে। সাগৰীয় উদ্ভিদৰ পুন:বনানীকৰণ আৰু বহনক্ষম মাছ ধৰাৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগে। এই সাগৰীয় উদ্ভিদবোৰ মানৱ সমাজৰ বাবে আশীৰ্বাদস্বৰূপ। ই ক্ৰান্তীয়

অৰণ্যতকৈ ৩৫% অধক কাৰ্বন গ্ৰহণ কৰে।

আদ্ৰভূমি পৰিস্থিতিতন্ত্ৰত থকা কাৰ্বন আৰু পানীৰ ভাণ্ডাৰসমূহ আঁতৰাই ইয়াকখেতিৰ মাটিলৈ পৰিৱৰ্তন কৰাৰ ফলত প্ৰদূষণৰ পৰিমাণ বৃদ্ধি পাইছে। ইয়াক পুনৰুদ্ধা বাবে পুনৰ পানীৰে পৰিপূৰ্ণ কৰাটো অতি জৰুৰী। কিয়নো কাৰ্বনক মাটিৰ তলৰ পৰা এনেদৰে মুক্ত কৰি দিয়াৰ ফলত জলবায়ু পৰিৱৰ্তনে ভয়াবহ ৰূপ ধাৰণ কৰিছে।

নগৰাঞ্চলৰ পৰিস্থিতিতন্ত্ৰলৈ চালে দেখা পোৱা যায় যে এন অঞ্চলত গছ গছনিৰ পৰিমাণ তেনেই সেৰেঙা। প্ৰায় নাই বুলিবই পাৰি। ফলত আৱৰ্জনা আৰু প্ৰদূষণৰ কবলত পৰি এই অঞ্চলসমূহত মাটি, বায়ু আৰু পানী প্ৰদূষণ অত্যধিক পৰিমাণে বৃদ্ধি পাইছে। ইয়াৰ বাবে নগৰাঞ্চলৰ সেউজকৰণ, আৱৰ্জনা নিষ্কাষণক ব্যৱহাৰিক জীৱনৰ সৈতে সংপৃক্ত কৰিব লাগিব।

**আমি কথাই কৈ থাকিম নেকি?**

কৰোণা অতিমাৰীৰ মাজতেই পুনৰ পৰিৱেশ দিৱস আহিল। ক'ৰোণাকালত হোৱা এয়া দ্বিতীয়টো পৰিৱেশ দিৱস। ২০২১ বৰ্ষৰ পৰিৱেশ দিৱসৰ হ'ষ্ট দেশ পাকিস্তান। ক'ৰোণাই আমাক শিকাইছে অক্সিজেনৰ গুৰুত্ব। বিশুদ্ধ অক্সিজেনৰ প্ৰয়োজনীয়তা তথা পৰিস্থিতিতন্ত্ৰক পুনৰুদ্ধাৰ কাৰ্য আমি আমাৰ ঘৰখনৰ পৰাই আৰম্ভ কৰিব লাগিব। আমি কামতকৈ কথা কৈ, আনক উপদেশ দি বেছি ভালপোৱাটো এক অভ্যাস কৰি পেলাইছোঁ। এই অভ্যাস সলনি কৰা কথাক কামলৈ ৰূপান্তৰিত কৰাৰ ক্ষেত্ৰত আমি আগভাগ ল'বই লাগিব। এপ্ৰিল-জুনৰ সময়ছোৱা আহিলেই মনলৈ আহে মাছৰ কথা। এই সময়ছোৱাত মাছ ধৰাৰ বাবে নিষেধাজ্ঞা থাকে। কিন্তু ইয়াক কিমান কাৰ্য্যকৰী কৰা হয়। মাছমৰীয়াসকলৰ সৈতে মীন বিভাগে সজাগতা সভা আয়োজন কৰা তেনেকৈ প্ৰায়ে দেখা নাযায়। সেই সময়ছোৱাত মাছমৰীয়াসকলৰ জীৱিকা তথা উপাৰ্জনৰ কথাও ভাবিব লাগিব । তাৰ বাবে মীন বিভাগে কেনে উদ্যোগ লৈ তাৰ স্থায়ী কাৰ্যপন্থা অতিকে প্ৰয়োজনীয়। অন্যথা প্ৰজননৰ বেলিকা এনেধৰে মাছ ধৰাৰ ফলত থলুৱা মাছবোৰ হেৰাই যাব। ইয়াৰ উপৰিও থলুৱা মাছৰ পোনা উৎপাদন আৰু ইয়াৰ খেতি সম্পৰ্কে সজাগতা অনাটো অতিকে প্ৰয়োজন।

পৰিৱেশ সংৰক্ষণ মানে কেৱল গছপুলি ৰোপনেই নহয়। ইয়াৰ উপৰিও থলুৱা চৰাইসমূহৰ সুৰক্ষাৰ প্ৰতি আমি সজাগ হ'ব লাগিব। ইয়াৰ উপৰিও আনুষ্ঠানিক পাঠ্যক্ৰমত থকা পৰিৱেশ বিজ্ঞানক ব্যৱহাৰিক বিজ্ঞানলৈ পৰিৱৰ্তন কৰাৰ ক্ষেত্ৰত শিক্ষকসমাজে উদ্যোগ ল'ব লাগিব। শৈশৱৰে পৰা পৰিৱেশ সংৰক্ষণ চেতনা কণমানিহঁতৰ মনোজগতত স্থায়ী ৰূপত গঢ় দিব লাগিব। এইক্ষেত্ৰত অভিভাৱকসকলৰো অপৰিসীম ভূমিকা আছে। গছপুলি ৰোপনৰ পূৰ্বে গছপুলি কেনেকৈ ৰোপন কৰা হ'ব তাৰ প্ৰাথমিক জ্ঞানৰ কথাও পাঠ্যক্ৰমত সন্নিবিষ্ট কৰিব লাগিব।

**অসমৰ অনন্য জীৱ-বৈচিত্ৰৰ ভৰাঁলস্বৰূপ বৰ্ষাৰণ্যসমূহ সুৰক্ষাৰ বাবে কাৰ্যপন্থা আৰু কাৰ্য্যকৰী পদক্ষেপ হাতত ল'ব লাগিব। এইক্ষেত্ৰত চৰকাৰে মূল দায়িত্ব ল'ব লাগিব। অসমৰ দ্বিতীয়খন বৰ্ষাৰণ্য পৰা আজিকোপতি অভয়াৰণ্যলৈ উন্নীত হোৱা নাই। ফলত এই বনাঞ্চলখনৰ জীৱবৈচিত্ৰলৈ ভাবুকি নামি আহিছে। প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই অভয়াৰণ্য স্বীকৃতিৰ পদক্ষেপ গ্ৰহণৰ কথা কৈছিল যদিও ই কিমান আগবাঢ়িছে সেই সম্পৰ্কে বাবে অজ্ঞাত।**

অসমৰ অনন্য জীৱ-বৈচিত্ৰৰ ভৰাঁলস্বৰূপ বৰ্ষাৰণ্যসমূহ সুৰক্ষাৰ বাবে কাৰ্যপন্থা আৰু কাৰ্য্যকৰী পদক্ষেপ হাতত ল'ব লাগিব। এইক্ষেত্ৰত চৰকাৰে মূল দায়িত্ব ল'ব লাগিব। অসমৰ দ্বিতীয়খন বৰ্ষাৰণ্য পৰা আজিকোপতি অভয়াৰণ্যলৈ উন্নীত হোৱা নাই। ফলত এই বনাঞ্চলখনৰ জীৱবৈচিত্ৰলৈ ভাবুকি নামি আহিছে। প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই অভয়াৰণ্য স্বীকৃতিৰ পদক্ষেপ গ্ৰহণৰ কথা কৈছিল যদিও ই কিমান আগবাঢ়িছে সেই সম্পৰ্কে বাবে অজ্ঞাত।

পৰিৱেশ পুনৰুদ্ধাৰৰ বাবে একক ব্যৱহাৰযোগ্য প্লাষ্টিক ব্যৱহাৰৰ পৰা আঁতৰি থকা উচিত। ইয়াৰ উপৰিও কিবা এটা খাই য'তে ত'তে নেপেলায় তাক জেপ/মোনাত ভৰাই আনে অন্য কামত ব্যৱহাৰৰ কথা চিন্তা কৰিব পাৰি। তাৰ বাবে ইক'-ব্ৰিক প্ৰস্তুতৰ দৰে আদৰণীয় পদক্ষেপ গ্ৰহণ কৰিব পাৰি।

ইয়াৰ উপৰিও আমি নিজা চিন্তা আৰু দৰ্শনেৰে প্ৰকৃতি অনুকুল কাৰ্য্যৰ জৰিয়তে পৰিস্থিতিতন্ত্ৰৰ পুনৰুদ্ধাৰৰ বাবে সেৱাৰ হাত আগবঢ়োৱা উচিত। আনলৈ দোষ ঠেলি দি, হঠাৎ পেট্ৰিয়টৰ দৰে প্ৰকৃতিক ভালপাওঁ বুলি কৃত্ৰিমভাৱে দেখুওৱাতকৈ হাতে কামে ইয়াৰ পুনৰুদ্ধাৰৰ বাবে আগবাঢ়ি আহিবই লাগিব। এয়া কেৱল সেৱাৰ কথা নহয়, এয়া আমাৰ দায়িত্বও। এই দায়িত্ববোধৰ বিষয়ে তাহানিতে মহাত্মা গান্ধীয়ে কৈ গৈছে যে, প্ৰকৃতিয়ে মানুহৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পৰাকৈ সকলো দিছে। মানুহে তাতে সুখী নহয় অধিক লোভী হৈ প্ৰকৃতিক কষ্ট দিলে প্ৰকৃতিয়েই নহয় মানুহেও দুৰ্যোগ ভোগ কৰিব লাগিব। অতি সম্প্ৰতি গান্ধীজীয়ে কোৱা কথাষাৰ আখৰে আখৰে ফলিয়াইছে। আহক পৰিস্থিতিতন্ত্ৰৰ পুনৰুদ্ধাৰ যাত্ৰাৰ আমিও সেৱক হওঁ।

ফোন: ৮৬৩৮৭০৮০৭৮



# অৰণ্য মানৱ পদ্মশ্ৰী যাদৱ পায়েং

**উৎপল বৰুৱা**

ভোগবাদী কিম্বা বস্তুবাদী মানসিকতাৰ সম্পূৰ্ণ বিপৰীতে সেউজ বিপ্লৱ ৰচনা কৰা বিশ্ব খ্যাত পদ্মশ্ৰী যাদৱ পায়েং ডাঙৰীয়া বৰ্তমান সময়ত সকলোৰে আদৰ্শ স্বৰূপ।তেখেতৰ নিৰন্তৰ সাধনা আৰু গছ-গছনি,পশু পক্ষীৰ প্ৰতি থকা অগাধ প্ৰেমৰ ফলশ্ৰুতিত,আজি তাৰিখত সমগ্ৰ বিশ্বত বিৰল কাহিনী হিচাপে পৰিগণিত হৈছে নিজ হাতে গঢ় দিয়া তেওঁৰ মুলাই কাঠনি।ঠিক ১৯৭৯ চনৰ কথা সেই সময়ত এক প্ৰলয়ংকাৰী বান আহিছিল।বানৰ পাছত ব্ৰহ্মপুত্ৰৰ বালিচৰত জেঠমহীয়া প্ৰচণ্ড গৰমৰ প্ৰকোপত বহুতো সাপ,বেং আধা মৰা আধা জীয়া হৈ পৰি ৰৈছিল আৰু কিছুমান মৃত্যু হৈছিল।এনেদৰে হোৱা সাপৰ অকাল মৃত্যুৰ বেদনাই তেওঁক বাৰুকৈয়ে মানসিক ভাৱে আঘাত কৰিছিল।উপায়ন্তৰ হৈ গাঁৱৰে কিছু সচেতন ব্যক্তিৰ পৰামৰ্শ মৰ্মে পোন প্ৰথম বাৰৰ বাবে বালিচৰৰ বুকুত বাঁহ গছ ৰোপণ কৰিলে।আৰু সেইসময়তে বানত উটি এহা এটা ডিমৰু গছৰ ডাল বালিত গুজি দিলে আৰু সেইজোপাই তেওঁৰ হাবিৰ প্ৰথম গছ।ইয়াৰ পাছৰ পৰাই ব্ৰহ্মপুত্ৰৰ পলসুৱা মাটিত বিভিন্ন গছৰ গুটি সিঁচি দিয়ে।কিছু সংখ্যক গছৰ গুটি বানপানীত জাবৰ-জোথৰৰ লগত উটি আহি গজিবলৈ আৰম্ভ কৰিলে,এনেদৰে আজি তাৰিখত সেই ভূমিত প্ৰায় ৫৫০ হেক্টৰ মাটি কালিৰে আগুৱা এক অটব্য অৰণ্য গঢ় লৈ উঠিল।তেখেতে বৰ্তমান ২০০ হেক্টৰ ভূমিত হাতীৰ খাদ্য ৰোপণ কৰিছে।বৰ্তমান তেখেতৰ হাবিত থকা জীৱ জন্তুৰ ভিতৰত হৈছে হৰিণ,ঢেঁকীয়াপতীয়া বাঘ,গঁড় আৰু বিভিন্ন প্ৰজাতিৰ পক্ষী লগতে বিলুপ্ত পৰ্যায়ৰ শগুণ।ইয়াৰ ওপৰিও

**এইজনা মহান নীৰৱ সাধকক এনে কামৰ প্ৰতি সন্মান জনাই ২০১২ চনত ২২ এপ্ৰিলত ধৰিত্ৰী দিৱসৰ দিনা জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ পৰিৱেশ বিজ্ঞান বিভাগে 'অৰণ্য মানৱ'( Forest Man of India) উপাধি প্ৰদান কৰিছিল আৰু যাদৱপুৰ বিশ্ববিদ্যালয়ে প্ৰদান কৰিছিল সন্মানীয় ডক্টৰেট ডিগ্ৰী।**

বিভিন্ন ধৰণৰ ঔষধি উদ্ভিদ আৰু বিভিন্ন প্ৰজাতিৰ সৰু বৰ উদ্ভিদ বগৰী,শিশু,ভেলৌ,ডিমৰু, প্ৰধানত শিমলু গছ বেছিকৈ দেখা পোৱা যায়।বৰ্তমান যাদৱ পায়েং ডাঙৰীয়া যোৰহাট নগৰৰ পৰা উত্তৰে প্ৰায় ১২ কি:মি নিলগৰ ককিলা মুখৰ বাসিন্দা।দিনটোৰ বেছি ভাগ সময় তেখেতে হাবিতে কটায়।তেখেতে কয় যে ধৰ্ম,ৰাজনীতি,অৰ্থনীতি অাটাইৰে ওপৰত প্ৰকৃতি।তেখেতে সকলোকে এটাই পৰামৰ্শ আগবঢ়ায় পৃথিৱীখন সেউজীকৰণ কৰক পৃথিৱীখন ৰক্ষা কৰিব গছ গছনিয়ে।আৰু তেখেতে কয় যে শিক্ষা আৰু জ্ঞান ল'বলৈ হ'লে পশু পক্ষীৰ পৰা ল'ব লাগিব আৰু শান্তিত থাকিবলৈ হ'লে গছৰ তলত থাকিব লাগিব।এটা বিশেষ দিনত পৰিৱেশ দিৱস পালন কৰাৰ উদ্দেশ্যে তেখেতে মতামত দিয়ে আমাৰ মানুহে একেটা দিনতে প্ৰত্যেক বছৰে বিশ্ব পৰিবেশ দিৱস পালন কৰে অথচ এজোপা গছো জী তুলিব নোৱাৰে।গছ এজোপা ৰুই তাৰ প্ৰতিপালনৰ দায়িত্বও ল'ব পাৰিব লাগিব। তেখেতৰ মতে প্ৰাক-প্ৰাথমিক অৱস্থাৰ পৰাই শিশুক পৰিৱেশ শিক্ষা প্ৰদানৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিব লাগে কাৰণ শিশু এটাই পৰিৱেশৰ পৰাই ব্যৱহাৰিক জ্ঞান ল'বলৈ সক্ষম হয়।এইজনা মহান নীৰৱ সাধকক এনে কামৰ প্ৰতি সন্মান জনাই ২০১২ চনত ২২ এপ্ৰিলত ধৰিত্ৰী দিৱসৰ দিনা জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ পৰিৱেশ বিজ্ঞান বিভাগে 'অৰণ্য মানৱ'( Forest Man of India) উপাধি প্ৰদান কৰিছিল আৰু যাদৱপুৰ বিশ্ববিদ্যালয়ে প্ৰদান কৰিছিল সন্মানীয় ডক্টৰেট ডিগ্ৰী।কেৱল এয়াই নহয় ২০১৫ চনৰ ২৬ জানুৱাৰী তাৰিখে ভাৰত চৰকাৰে 'পদ্মশ্ৰী' সন্মান প্ৰদান কৰিছিল।আচলতে তেখেতৰ বিষয়ে লিখি শেষ কৰাটো সম্ভৱ নহয়।এনে আৰ্দশৱান ব্যক্তিৰ আৰ্দশৰে অনুপ্ৰাণিত হৈ আমি সংকল্প লোৱা উচিত যে আমি প্ৰত্যেকেই আমাৰ পৃথিৱীখন জীয়াই ৰখাৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিম আৰু সদায়ে চিৰসেউজ কৰি ৰখাৰ প্ৰতিশ্ৰুতি দিম,কাৰণ প্ৰকৃতি থাকিলেহে আমি জীয়াই থাকিব পাৰিম...।।

ভ্ৰাম্যভাষ: ৮১৩৩৯০৮০০৪



# প্ৰকৃতি মানৱ -আফৰোজ শ্বাহ

**সম্প্ৰীতি শৰ্মা**

ভাৰতবৰ্ষৰ মুম্বাইৰ এজন ব্যক্তি আফৰোজ শ্বাহ। পেচাত এজন অধিবক্তা। কিন্তু বৰ্তমান সময়ৰ আটাইতকৈ বেছি প্ৰকৃতিৰ প্ৰিয় ব্যক্তি।যি সময়ত গেলা-পচা আৱৰ্জনাৰে গোটেই ভাৰতবৰ্ষৰ বিভিন্ন স্তৰ বিশেষকৈ সাগৰ-মহাসাগৰ অথবা নদ-নদী বা তাৰ পাৰসমূহ পোত খাই গোটেই প্ৰকৃতি প্ৰদূষিত হৈছিল সেই সময়তে মুম্বাইৰ এইজন ব্যক্তিয়ে পৰিৱেশ পৰিষ্কাৰৰ দিশে লোৱা প্ৰকল্পই চমক সৃষ্টি কৰিছে।আফৰোজ শ্বাহ মুম্বাইৰ "ভাৰ্সোভা" সামুদ্ৰিক পাৰক প্ৰদূষিত প্লাষ্টিক তথা ধ্বংসাত্মক আৱৰ্জনাৰ পৰা মুক্ত কৰাৰ প্ৰকল্পৰ বাবে পোন প্ৰথমবাৰৰ বাবে শিৰোনামা দখললৈ আহিছিল।যাৰ বাবে ৰাষ্ট্ৰসংঘই ২০১৬ চনত "চেম্পিয়ন অৱ দ্যা আৰ্থ" হিচাপে বিভূষিত কৰিছিল।এই প্ৰকল্পৰ আৰম্ভণিৰেই শ্বাহে বহুকেইখন প্লাষ্টিক তথা আৱৰ্জনাৰে পোত খাই যোৱা সাগৰীয় পাৰ,হাবি,অৰণ্য আৰু নদী পৰিষ্কাৰ কৰি প্ৰকৃতিক অসুখৰ পৰা মুকলি কৰিছে।আৰু ইতিমধ্যেই ৪০মিলিয়ন কেজিৰো অধিক প্লাষ্টিক,গেলা-পচা আৱৰ্জনা পুনৰ ব্যৱহাৰৰ বাবে প্ৰেৰণ কৰিছে। বিগত দুই বছৰত নদী তথা সাগৰীয় বুকুলৈ প্ৰায় ১.৫মিলিয়ন প্লাষ্টিকৰ টুকুৰা নিক্ষেপৰ পৰা ৰক্ষা কৰিছে। শ্বাহৰ এই প্ৰকল্পত প্ৰায় ২লাখ নাগৰিক আৰু ৭৫খন স্কুলৰ ১.৫লাখ ছাত্ৰ ছাত্ৰী পোনপটীয়াভাৱে জড়িত আছে যিসকলে সাপ্তাহিক হিচাপত কাম কৰি আছে। "ভাৰ্সোভা'' সাগৰীয় পাৰৰ উপৰিও শ্বাহৰ অন্যতম প্ৰকল্প আছিল "ডানা পানী'' সাগৰীয় পাৰ।মিঠি নদীৰ ওপৰতো পৰিচ্ছন্নতাৰ কাৰ্যকলাপ চলি আছে।তেওঁৰ এই পদক্ষেপৰ বাবে চৰকাৰৰ উপৰিও বিভিন্ন মঞ্চই তেওঁক প্ৰশংসিত তথা পুৰস্কৃতও কৰি আহিছে।বৰ্তমান সময়ৰ আটাইতকৈ বেছি দৰকাৰী তথা বহু চৰ্চিত বিষয় এটাই হৈছে প্ৰদূষণ।বৈজ্ঞানিক দিশৰ উন্নয়নৰ লগে লগে প্ৰদূষণৰ মাত্ৰাও অত্যন্ত বাঢ়ি গৈছে।প্ৰদূষণে সমস্ত জীৱকুলক থকা সৰকা কৰিছে।ইতিমধ্যে বহু প্ৰকৃতিপ্ৰেমী,সংগঠন তথা চৰকাৰেও যথেষ্ট পদক্ষেপ লৈ আহিছে।আৰু তাৰে এজন যুৱ প্ৰজন্মৰ বাবে আৰ্দশ হৈছে আফৰোজ শ্বাহ।তেওঁৰ প্ৰকল্প সঁচাকৈয়ে প্ৰশংসনীয় তেওঁক আমাৰ সহায় সহযোগেৰে উৎসাহিত কৰাটো আমাৰ কৰ্তব্য...।

# দুৱাৰৰ টাইমলাইন

**৫ জুন, ২০২০:** বিদ্যা : দ্য লিভিং স্কুলৰ বাকৰিত দুৱাৰৰ আত্মপ্ৰকাশ।

**৫ জুন, ২০২০:** ই-আলোচনী **সমিধান** উন্মোচন (আত্মপ্ৰকাশৰ বেলিকা **দুৱাৰৰ** নাম আছিল সমিধান)।

**১৮ জুলাই, ২০২০:** Weekend Talks, বিষয়: মানসিক স্বাস্থ্য আৰু ক'ৰোণা মহামাৰী, অতিথি: ডা০ হৃষীকেশ কলিতা

**২৫ জুলাই, ২০২০:** Weekend Talks, বিষয়: বাঘজানৰ দুৰ্ঘটনা, অতিথি: ড০ প্ৰদীপ শইকীয়া

**১ আগষ্ট, ২০২০:** Weekend Talks, বিষয়: অসমৰ বানপানী সমস্যা, অতিথি: গৌৰৱ বৰুৱা

**৮ আগষ্ট, ২০২০:** Weekend Talks, বিষয়: ই আই এ খচৰা, অতিথি: যাদৱ পায়েং

**১৫ আগষ্ট, ২০২০:** Weekend Talks, বিষয়:অসমীয়া কল্পবিজ্ঞান সাহিত্য, অতিথি: সমুজ্জ্বল শইকীয়া

**২০ আগষ্ট, ২০২০:** ৰাষ্ট্ৰীয় বিজ্ঞান মনস্কতা দিৱস উদযাপন, অতিথি: ড০ প্ৰাঞ্জল বুঢ়াগোহাঁই, সমুজ্জ্বল শইকীয়া

**২২ আগষ্ট, ২০২০:** Weekend Talks, বিষয়:অসমৰ থলুৱা উদ্ভিদ: পৰম্পৰা আৰু সংৰক্ষণ, অতিথি: প্ৰণৱ বড়া

**২৯ আগষ্ট, ২০২০**: Weekend Talks, বিষয়: জি আই এচ: ইয়াৰ দ্বাৰা কি কৰিব পাৰি?, অতিথি: দীপিমা শৰ্মা, ৰাজশ্ৰী বৰুৱা

**৫ ছেপ্তেম্বৰ, ২০২০**: Weekend Talks, বিষয়: জি আই এচৰ প্ৰয়োগ, অতিথি: বিনোদ কুমাৰ নাথ

**১২ ছেপ্তেম্বৰ, ২০২০:** Weekend Talks, বিষয়: কৃষ্ণগহ্বৰ,

অতিথি: ড০ ইন্দুকল্প দিহিঙীয়া

**১৬ ছেপ্তেম্বৰ, ২০২০:** বিশ্ব অ'জন দিৱস উদযাপন, অতিথি: লাৱণ্য লাহন চুতীয়া,

ড০ ইন্দুকল্প দিহিঙীয়া

**১৯ ছেপ্তেম্বৰ, ২০২০:** Weekend Talks, বিষয়: অসমীয়া পৰিৱেশ সাহিত্য, অতিথি:

পংকজ কুমাৰ দত্ত

**২২ ছেপ্তেম্বৰ:** বিশ্ব গঁড় দিৱস উদযাপন, অতিথি: বুবুল শৰ্মা

**২৬ ছেপ্তেম্বৰ, ২০২০:** Weekend Talks, বিষয়:অৰ্কিড সংৰক্ষণ: অতীত, বৰ্তমান

আৰু ভৱিষ্যত, অতিথি: ক্ষণজিৎ গগৈ

**৩ অক্টোবৰ, ২০২০:** Weekend Talks, বিষয়: পলিম ইন ডে টু ডে লাইফ, অতিথি:

ৰাজশ্ৰী বৰগোহাঁই

**১০ অক্টোবৰ, ২০২০:** Weekend Talks, বিষয়: ৰেইনফল ইন নৰ্থ ইষ্ট, অতিথি:

জয়শ্ৰী হাজৰিকা

**৯ অক্টোবৰ, ২০২০:** কথা-বতৰা, বিষয়: জলবায়ু পৰিৱৰ্তন ৰোধত জনসাধাৰণৰ

কৰণীয়, অতিথি:ঋতুৰাজ ফুকন

**১১ অক্টোবৰ, ২০২০: গ্ৰন্থ দান আৰু পৰিৱেশ সজাগতা সভা**, স্থান: শেৱালি পুথিভঁৰাল,

চিলাপথাৰ

**২৪ অক্টোবৰ, ২০২০:** Weekend Talks, বিষয়: বায়'পাইৰেছি আৰু ইয়াৰ প্ৰতিকাৰ,

অতিথি: বাপন বনিক

**৩১ অক্টোবৰ,২০২০:** Weekend Talks, বিষয়:পৰিৱেশ সংৰক্ষণত প্ৰকৃতিপ্ৰেমী সংগঠন

আৰু পৰিৱেশকৰ্মীৰ দায়িত্ব আৰু কৰ্তব্য, অতিথি: অপূৰ্ব বল্লভ গোস্বামী

**৬ নৱেম্বৰ, ২০২০:** অন্তৰংগ আলাপ আৰু শিকন সমল বিতৰণ, স্থান: ২নং ঘেয়াৰী প্ৰাথমিক বিদ্যালয়, মেছু কছাৰী প্ৰাথমিক বিদ্যা।য়, ৰে'লৱে জংচন মধ্য ইংৰাজী বিদ্যালয়, বিদ্যা: দ্য লিভিং স্কুল, সুবাহী

অতিথি: ডঃ জিতেন চন্দ্ৰ কলিতা

**৭ নৱেম্বৰ, ২০২০**: অন্তৰংগ আলাপ, স্থান: যোগেশ গোহাঞি উচ্চ মাধ্যমিক বিদ্যালয়,

অতিথি: ডঃ জিতেন চন্দ্ৰ কলিতা

**৭ নৱেম্বৰ, ২০২০:** Weekend Talks, বিষয়: বিজ্ঞানৰ আহোলা হিচাপে গণিত,

অতিথি: ডঃ জিতেন চন্দ্ৰ কলিতা

**২১ নৱেম্বৰ, ২০২০:** Weekend Talks, বিষয়: স্কপ অফ এণ্ট্ৰিপ্ৰিনিউৰশ্বিপ ইন চায়েন্স এণ্ড টেকন'ল'জী, অতিথি: উদিত ফুকন

**২৯ নৱেম্বৰ,২০২০:** Weekend Talks, বিষয়: পবা বৰ্ষাৰণ্য সুৰক্ষা আন্দোলন,

অতিথি: যুগল সন্দিকৈ

**৫ ডিচেম্বৰ, ২০২০:** Weekend Talks, বিষয়: বৈজ্ঞানিক মানসিকতা বিকাশত কুইজৰ ভূমিকা, অতিথি: চিৰঞ্জীৱ শইকীয়া

**১৩ ডিচেম্বৰ, ২০২০**: Weekend Talks, বিষয়: বিজ্ঞানসন্মত গাহৰি পালন আৰু ইয়াৰ বাণিজ্যিকীকৰণ, অতিথি: প্ৰণৱ মিলন গগৈ

**২১ এপ্ৰিল, ২০২১:** বিদ্যা: দ্য লিভিং স্কুললৈ কম্পিউটাৰ বিতৰণ

দাতা: ডঃ জিতেন কলিতা

**২ জুন, ২০২১:** দুৱাৰ ই-আলোচনী প্ৰকাশ

**৩ জুন, ২০২১:** বিশ্ব পৰিৱেশ দিৱস উপলক্ষে সজাগতামূলক পত্ৰিকা প্ৰকাশ